স্মৰণিকা

# হীৰা জিৰা

সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত
সদৌ মৰিগাঁও জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত



## কেন্দ্ৰীয় ৪৯৪ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস

গান্ধীভৱন ঃ মৰিগাঁও

৬, ৭ আৰু ৮ ফেব্ৰুৱাৰীঃ২০০৪

সভাপতি ঃ
ফনীন্দ্ৰ ডেকা ফুকন

সম্পাদক ঃ
কমল ডেকা

OKDISCD

স্মৰণিকা

# হীৰা জিৰা



## ৪৯৪ তম্ বিশ্ব মহাবীৰ চিলাৰায় দিৱস / ২০০৪

৬, ৭ আৰু ৮ ফেব্ৰুৱাৰী/০৪

গান্ধীভৱন, মৰিগাঁও

সভাপতি
ফনীন্দ্ৰ ডেকা ফুকন

সম্পাদক
কমল ডেকা

OKDISCD

**স্মৰণিকাৰ সম্পাদনা সমিতি ঃ**

| | | |
|---|---|---|
| সভাপতি | ঃ | ফনীন্দ্ৰ ডেকা ফুকন |
| সম্পাদক | ঃ | কমল ডেকা |
| সদস্য | ঃ | লক্ষ্যজ্যোতি ডেকা |
| | | প্ৰফুল্ল ডেকা |
| প্ৰকাশ | ঃ | ৮ ফেব্ৰুৱাৰী/০৪ |
| প্ৰচ্ছদ পৰিকল্পনা | ঃ | জ্যোতিষ ডেকা |
| প্ৰকাশক/স্বত্ব | ঃ | চিলাৰায় দিৱস কেন্দ্ৰীয় উদযাপন সমিতি, মৰিগাঁও |
| মূল্য | ঃ | ১০ (দহ) টকা । |
| ছপা | ঃ | বাণী ছপাশাল |
| | | অমল ডেকা পথ |
| | | মৰিগাঁও- ৭৮২১০৫ |

*****

# শ্ৰদ্ধাঞ্জলি



স্বজাতিৰ স্বাৰ্থত যি সকল জ্ঞাত -অজ্ঞাত ব্যক্তিয়ে
শ্ৰম - আত্মদানেৰে নিজকে আহুতি দিলে
সেই সকল বৰেণ্য ব্যক্তিলৈ আমাৰ
শ্ৰদ্ধাঞ্জলি জ্ঞাপন
কৰিলো ।

**হীৰা জিৰা সম্পাদনা সমিতি**
**৪৯৪ তম্ বীৰ চিলাৰায় দিৱস,**
**মৰিগাঁও**

OKDISCD

এছ. হুছেইন
উপায়ুক্ত, মৰিগাঁও



সত্যমেৱ জয়তে

## শুভেচ্ছা বাণী

মহাপ্ৰবাহমান লুইতপৰীয়া বৃহৎ অসমীয়া জাতিৰ ঐক্য, সংহতি, শক্তি তথা সংস্কৃতিৰ মহান খনিকৰ আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ ক্ষত্ৰীয় মূলৰ কোঁচ ৰাজবংশী সকলৰ চিৰ জ্যোতিষ্মান নক্ষত্ৰ মহান বীৰ চিলাৰায়ৰ স্মৰণত ৪৯৪ তম্ চিলাৰায় দিৱসটি আক্ৰাছুৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত আৰু মৰিগাঁও জিলা আক্ৰাছুৰ সহযোগত কেন্দ্ৰীয়ভাৱে মৰিগাঁৱত উদ্‌যাপনৰ আয়োজন কৰাৰ লগতে ইয়াৰ লগত সংগতি ৰাখি এখন স্মৰণিকা প্ৰকাশৰ দিহা কৰিছে বুলি জানি আনন্দিত হৈছো । আশা ৰাখিছো এই বীৰ চিলাৰায় দিৱস তথা স্মৰণিকা খনিয়ে মহাবীৰ চিলাৰায়ৰ মহান আদৰ্শ ভৱিষ্যত প্ৰজন্মক প্ৰভাৱিত কৰি অসমীয়া জাতিৰ গৌৰৱ তথা সাহিত্য সংস্কৃতিৰ অধিক ঐশ্বৰ্য্যশালী কৰি তোলক ।

(এছ. হুছেইন)
উপায়ুক্ত, মৰিগাঁও

ড° ক্ষীৰেণ ৰয়
মুখ্য সম্পাদক, অসমীয়া খবৰ

## শুভেচ্ছা বাণী

বিশ্বমহাবীৰ চিলাৰায়ৰ ৪৯৪ তম দিৱস এইবেলি কেন্দ্ৰীয়ভাৱে মৰিগাঁও নগৰত অনুষ্ঠিত হব, বুলি জানিব পাৰিছো । উদ্‌যাপন সমিতিয়ে চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি 'হীৰা জিৰা' নামৰ এখন স্মৰণিকা প্ৰকাশ কৰিব বুলি জানি অতিশয় সুখী হৈছো । স্মৰণিকা হীৰা জিৰাত স্থানীয় অঞ্চলটোৰ সাহিত্য সংস্কৃতিৰ সকলো দিশ প্ৰতিফলিত হব বুলি আশা কৰিছো । অনুষ্ঠানটোৰ লগত জড়িত সকলো উদোক্তালৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি বিশ্ব চিলাৰায় দিৱসৰ সফলতা কামনা কৰিছো । শুভ ইচ্ছাৰে –

ড° ক্ষীৰেণ ৰয়
গুৱাহাটী - ৩

OKDISCD

"জয় গুৰুধ্বজ ৰাই"

# সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থা

# ALL KOCH-RAJBANSHI STUDENTS' UNION

Head Office : Bongaigaon

**Bongaigaon : 783380, Kamatapur**





## শুভেচ্ছা বাণী

বিশ্বমহাবীৰ চিলাৰায়ৰ ৪৯৪তম্ দিৱস উপলক্ষে মৰিগাঁৱ কেন্দ্ৰীয় উদ্‌যাপন সমিতিয়ে, এখন স্বৰণিকা প্ৰকাশ কৰি উলিয়াব বুলি জানি অতি আনন্দিত হৈছো ।

স্মৰণিকা এখনৰ প্ৰকাশে স্থানীয় কলা -সংস্কৃতি তথা উদীয়মান যুৱক-যুৱতী সকলৰ প্ৰতিভা প্ৰকাশ কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰা হয় ।

আশা কৰো স্মৰণিকা খনত বিশ্বমহাবীৰ জনাৰ বিশেষ আলোকপাত কৰাৰ উপৰি মৰিগাঁও জিলাৰ কলা-কৃষ্টি প্ৰকাশ পাব । উদ্‌যাপন সমিতিৰ সৰ্ব্বত সফল কামনা কৰিলো ।

শুভেচ্ছাৰে -

**(বিশ্বজিৎ ৰায়)**
সভাপতি
আক্ৰাছু

**(প্ৰণৱ জ্যোতি দাস)**
সাঃ সম্পাদক
আক্ৰাছু



## সম্পাদকীয়

*"জয় গুৰুধ্বজ ৰায়;*
*কিছু বিঘ্ন নাই ।"*



মঙ্গোলীয় মূলৰ কোচ ৰাজবংশী জাতিৰ পৰাক্ৰমত শিহৰণ কাৰী আৰু সাহিত্য চৰ্চাত ঐশ্বৰ্য্যশালী বিশ্ব মহাবীৰ চিলাৰায় দেৱানৰ ৪৯৪ তম্ দিৱসত মহান বীৰ গৰাকীক শ্ৰদ্ধাৰে সোঁৱৰিছো । অসম আমাৰ জনম ভূমি । এই মনোৰম দেশখনতে পুৰণি কালত ভীষ্মক, বান, নৰকাৰসুৰ, ভগদত্ত আদি ৰজা সকলে ৰাজত্ব কৰিছিল । তাৰ পিছতো ৰূদ্ৰসিংহ নৰনাৰায়ন আদি মহান ৰজাই ৰাজত্ব কৰি অসমৰ শ্ৰীবৃদ্ধি কৰি থৈ গৈছে । মহান ৰজা সকলৰ উপৰিও কেইজনমান বীৰ পুৰুষ অসমী আইৰ শীতলী কোলাত জনম লভি অসম বাসীক মহিয়ান কৰি থৈ গৈছে । এনে এজন মহান বীৰ পুৰুষ আছিল চিলাৰায় । যি জনক শ্ৰেষ্ঠ বীৰ বুলি কব পাৰি । ঐতিহাসিক আৰ্নল্ড টয়েনবীৰে মন্তব্য কৰি থৈ গৈছে - "চিলাৰায়, শিৱাজী আৰু নেপোলিয়ন বোনাপাৰ্ট একে শাৰীৰকৃত বীৰ পুৰুষ । চিলাৰায় প্ৰথম আৰু জেষ্ঠ শিৱাজী এশ বছৰৰ পিছৰ দ্বিতীয় আৰু মধ্যম, এওৱে এশ বছৰৰ পিছৰ নেপোলিয়ন বিশ্ব তৃতীয় আৰু কনিষ্ঠ । কিন্তু নেপোলিয়ন বিশ্ব বিদিত, শিৱাজী ভাৰতবিদিত আৰু চিলাৰায় নিজৰ ঘৰতে অবিদিত ।

যিজন ব্যক্তিয়ে অসমীয়া সাহিত্যৰ বৰভেটি বান্ধি থৈ গৈছে তেওঁক নজনাটো বৰ দুখৰ কথা । তেওঁৰ অতুলনীয় মাতৃভক্তি, আদৰ্শ ভাতৃ প্ৰেম, দেশপ্ৰেম অসমীয়া জাতীয় জীৱনৰ মহান চানেকী । তেখেতৰ মহান তথা আদৰ্শক বৰ্ত্তমানৰ কিশোৰ চামেও অনুপ্ৰেৰণা ভেটি গঢ়ি তুলি, সাধনাক প্ৰতিশ্ৰুতি হিচাপেলৈ নিজৰ জীৱন গঢ়ি তুলি, দেশমাতৃৰ সেৱা কৰিবলৈ আহ্বান জনাইছো ।

### জাতিৰ জাতীয় চেতনা প্ৰসঙ্গত ঃ

লগতে জাতিৰ জাতীয় চেতনা প্ৰসঙ্গত অলপ মান লিখিলো ।

ইতিহাসৰ পাতত স্পষ্টভাৱে পোৱা যায় যে- উত্তৰ পূব ভাৰতৰ এটি ঐতিহ্যমণ্ডিত আৰু গৌৰৱ উজ্বল ইতিহাসৰ স্বাক্ষৰ ৱহন কাৰী আৰু গৌৰৱৰ অধিকাৰী আছিল মহা প্ৰতাপী মহাৰাজ নৰনাৰায়ন আৰু বিশ্ব মহাবীৰ চিলাৰায় । এইটো সৰ্বজন বিদিত যে অসমীয়া ভাষা সাহিত্যত কোচ ৰাজবংশী সকলৰ ৰাজত্ব আৰু সাহিত্য সংস্কৃতিৰ অবিহনে কেতিয়াও গঢ়লৈ উঠিব নোৱাৰিলেহেঁতেন । অসমীয়া সাহিত্যৰ গুৰী ধৰোঁতা শ্ৰীমন্ত শংকৰদেৱে তেতিয়াৰ মহাপ্ৰবল আহোম ৰাজত্বৰ সমাদৰ নাপাই কোচ ৰাজবংশী প্ৰতাপী মহাৰাজ নৰনাৰায়নৰ তত্বাবধনত সাহিত্য চৰ্চা তথা অধ্যয়নৰ সুবিধাকন পাইছিল যত তাহানিৰ কোচ ৰাজবংশী ভাষাইহে ব্ৰজৱলী ভাষাত প্ৰাধান্য লাভ কৰিছিল । কিন্তু আজি বছৰ বছৰ ৰাজনৈতিক বিৰ্বতনৰ ফলত এক জটিল যুগসন্ধিত ভৰি দিছেহি আৰু ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে কোচ ৰাজবংশী জাতিৰ স্বকীয় অস্তিত্ব সুমলি নাশ কৰাৰ বাবে উচ্চ বৰ্ণ হিন্দু অসমীয়া শাসক গোষ্ঠীয়ে এটাৰ পিছত এটা ষড়যন্ত্ৰ অব্যাহত ৰাখিছে । এই ষড়যন্ত্ৰৰ ফলতেই - চাৰিবাৰকৈ ৰাষ্টপতিৰ দ্বাৰা জনজাতিকৰণৰ অধ্যাদেশ জাৰি কৰাৰ পিছতো যোৱা ২০০২ ইং চনত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা ঘোষিত জনজাতিকৰণৰ অধিসূচনাত কোচ ৰাজবংশী সকলক জনজাতিৰ তালিকাভূক্ত কৰা নহল । এয়া এসময়ৰ ৰজাঘৰীয়া আৰু শান্তিপ্ৰিয়,

OKDISCD

সহজ-সৰল, আৰ্থিক ভাৱে অনগ্ৰসৰ জনগোষ্ঠীটোৰ প্ৰতি কৰা ঘোৰ অন্যায় । এইটোৱে জাতিটোক ভাবিবলৈ বাধ্য কৰাইছে যে নিজৰ সকলো ঐতিহ্য পৰিহাৰ কৰি গণতান্ত্ৰিক প্ৰমূল্যক শ্ৰদ্ধা জনাই আনৰ লগত সহাবস্থান মানি লোৱাৰ পৰিণাম ।

বৰ্ত্তমানৰ সময়ছোৱাত ৰাজনৈতিক, অৰ্থনৈতিক আৰু শৈক্ষিক ভাৱে পিছপৰা এই জনগোষ্ঠীটোৰ জনজাতি কৰণৰ দাবীটো মানবীয় দৃষ্টি কোনৰ পৰাই গ্ৰহণ যোগ্য হব লাগিছিল । যিহেতু কোচ ৰাজবংশী সকল জাতি হিচাপে সম্পূৰ্ণ স্বকীয় বৈশিষ্টৰে ঐতিহ্যমণ্ডিত সেয়ে অচিৰেই কোচ কমতা (কমতাপুৰ) ৰাজ্য উদ্ধাৰ কৰি নিজৰ জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে মনোনিৱেশ কৰাৰ সময় আহি পৰিছে ।

আজি কোচ ৰাজবংশী সকলৰ জাতীয় চেতনাৰ অভাৱৰ বাবেই বাৰে বাৰে প্ৰতাৰিত আৰু প্ৰবঞ্চিত হব লগাত পৰিছো । স্বাধীনতাৰ পিছৰ পচপন্ন (৫৫) বছৰৰ ইতিহাস কোচ ৰাজবংশী সকলৰ বাবে কেৱল প্ৰতাৰণা আৰু প্ৰবঞ্চনাৰ ইতিহাস। বৰ্ত্তমানৰ এই কঠিন পৰিস্থিতিক অনুধাৱন কৰি কোচ ৰাজবংশী সকল কৰ্ম্যোদ্যোগী হব লাগিব । আমি বুজাই দিব লাগিব আমি এটা দৃঢ়চেতা সংগ্ৰামী জনগোষ্ঠী । এটা কৰ্ম্যোদ্যাগী জাতি হিচাপে চিনাকী দিবলৈ হলে প্ৰথমেই শিক্ষিত হব লাগিব । কাৰণ শিক্ষাৰ প্ৰসাৰৰ ওপৰতেই, নিৰ্ভৰ কৰে এটা জাতিৰ সমাজ-সংস্কৃতি, অধিকাৰ আৰু জীয়াই থকাৰ দুৰন্ত হাবিয়াস । আমাৰ জাতীয় চেতনাৰ কঠিনতম পৰীক্ষাৰ বাবে আমি সাজু থাকিব লাগিব । এইটো মনত ৰখা দৰকাৰ যে এটা জাতিৰ জাতীয় চেতনাক যিমানেই চেপি ধৰা নহওঁক, ই লুপ্ত হৈ নাযায় । ই ক্ৰমে ক্ৰমে বাঢ়ি বিশাল আয়তনৰ ঠাই গ্ৰাস কৰি পেলায় । মাথো প্ৰয়োজন সৎ সাহসীকতাৰ এক অদমনীয় হৃদয় । এটা জাতিৰ জাতীয় চেতনা নিঃশেষ কৰাৰ নজীৰ পৃথিৱীৰ কোনো ইতিহাসতে নাই ।

আহক, আজিৰ এই কঠিন পৰিস্থিতিত আমি জাতীয় মান মৰ্যাদাৰে জীয়াই থাকিবলৈ আমাৰ আত্ম-নিয়ন্ত্ৰন তথা জাতীয় আত্মপ্ৰতিষ্ঠাৰ সংগ্ৰাম খন বিজয় অভিমুখে লৈ যাওঁ আৰু এখন সমৃদ্ধিশালী "কমতাপুৰ" ৰাজ্য পুনৰ গঠনৰ কামত মনোনিবেশ কৰা । সীমিত সময়ৰ ভিতৰতে এখনি স্মৰনিকা প্ৰকাশ কৰা সম্ভৱ নহয় । ক্ৰটিবোৰ থকাটো স্বাভাৱিক । নিজ গুনে ক্ষমা কৰে যেন ।

শেষত স্মৰনিকা প্ৰকাশৰ দিশত অভ্যৰ্থনা সমিতি, কেন্দ্ৰীয় আৰু জিলা আক্ৰাছুয়ে যি সহায় সহযোগিতা আগবঢ়ালে সমূহ বিষয়ববীয়া আৰু বিজ্ঞাপন দাতা সকললৈ আন্তৰিক শ্ৰদ্ধা যাছিলোঁ । অতি তাকৰীয়া সময়তে বাণী ছপাশালৰ গৰাকী বন্ধু শ্ৰীঅজিত শৰ্মাই স্মৰনিকাখন ছপা কৰি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰি চিলাৰায় দেৱানৰ কৰ্ম শক্তিৰে আকৌ অসমীয়া জাতি উজ্জীৱিত হওঁক । তেওঁৰ মহান চানেকী, শৌৰ্য্য-বীৰ্য্য, প্ৰতিভা অসমৰ জাতীয় জীৱনত পুনৰ প্ৰতিফলিত হোৱা কামনাৰে আমাৰ দুআষাৰ সামৰিলো । ইতি -

শ্ৰদ্ধাৰে -

কমল ডেকা
স্মৰনিকা সম্পাদক
৭ ফেব্ৰুৱাৰী/০৪

## হীৰা জিৰাৰ পাতত


❒ এজন বীৰ ঃ এটা প্ৰতিমূৰ্ত্তি / ফনীন্দ্ৰ ডেকা ফুকন/ ১

❒ বিশ্ব মহাবীৰ চিলাৰায় দেৱানৰ ৪৯৪ তম জন্ম জয়ন্তী ঃ ইতিহাসৰ দৃষ্টিকোনেৰে ইয়াৰ তাৎপৰ্য্য আৰু প্ৰয়োজনীয়তা / উপেন চন্দ্ৰ ডেকা/ ৪

❒ প্ৰসঙ্গ ঃ শুক্লধ্বজ চিলাৰায় ঃ দেশপ্ৰেম, ভাতৃত্ববোধ, মহানতাবোধ আৰু অস্তিত্বৰ প্ৰশ্ন/ মনমোহন ৰাজবংশী/

❒ চিলাৰায় আৰু শঙ্কৰদেৱ প্ৰসঙ্গ/ গোপীনাথ কাকতি/ ১২


### কবিতা


❒ সৰ্বতো উচ্চ ভৰ্ত্তি চিলাৰায় ঃ নৰ নাৰায়ণৰ/ বিনয় লাহন/ ১৮

❒ চিলাৰায় অনুকম্পা/ দিলীপ গগৈ/ ১৯

❒ আহ্বান/ পৰমেশ্বৰী ডেকা/ ২০

❒ মোৰ পৰা তোমালৈ/ সাগৰ নাথ/ ২১

❒ মই তাইৰ চকুত/ অজিত কুমাৰ ৰায়/ ২২

❒ উদ্‌যাপন সমিতিৰ ভিতৰ চ'ৰা/২৩


******

OKDISCD

## কোচ সকলৰ আদিমাতৃ

# হীৰা জিৰা ইতিবৃত্ত

ৰজা বিশ্বসিংহ কোচ সকলৰ আদি ৰজা । এখেত আছিল কচাৰী বংশোদ্ভোত । কচাৰী বংশোদ্ভোত এই লোক সকলৰ আদি কথাত পোৱা যায় হাৰিয়ামণ্ডল নামে এজন কচাৰী লোক আছিল । তেওঁৰ দুগৰাকী ভাৰ্য্য আছিল । সেই দুগৰাকীৰ এগৰাকীৰ নাম আছিল হীৰা আৰু আনগৰাকীৰ নাম জিৰা । পিছলৈ হীৰাৰ পুত্ৰ নাতি সকলেই কোচ নামে জনজাত হ'ল আৰু জিৰাৰ পো-নাতি সকল পৰিচিত হ'ল বড়ো নামেৰে ।

অন্যহাতে প্ৰাপ্ত তথ্যত বীৰ চিলাৰায়ে ১৪৫৬ চনত অসমৰ পূৰ্ব্বাঞ্চল বা আহোম জয়ৰ যাত্ৰাত ব্ৰতী হৈছিল । চিলাৰায়ৰ আহোম সকলেৰে হোৱা এই ৰণৰ ইতিপূৰ্বে কিম্বা তাৰ পিছত অসমৰ মধ্য অঞ্চল মৰিগাঁৱৰ ভালে সংখ্যক ৰজা কিম্বা ৰাজ-নেতৃস্থানীয় লোক তেখেতৰ হাতত পৰাজিত হৈছিল আৰু তেওঁলোকে বস্যতা স্বীকাৰ কৰি নিজক কোচ বুলি পৰিচয় দিছিল । আকৌ ইয়াৰ সমসাময়িক ভাৱে মৰিগাঁও অঞ্চলতে থকা জিতাৰী বংশীয়, পাৰো বংশীয় কচাৰী বংশীয় অথবা নেতৃস্থানীয় কিছু লোক নাইবা ৰজা / ৰাজ বিষয়াই নিজকে কোচ বুলি পৰিচয় দি ৰাজ্য আদি প্ৰতিস্থা কৰে । এই সকলেই সময় বিবৰ্ত্তনত মৰিগাঁও অঞ্চলৰ কোচ জাতিৰ খণ্ড ৰাজ্য পোৱালি ৰাজ্য সমূহৰ সাতো ৰজা পাঁচো ৰজা কিম্বা দাঁতিকাষৰীয়া কোচ বুলি খ্যাত লোক । এখেত সকলেও কোচ সকলৰ আদি মাতৃ হীৰা জিৰাক আদি মাতৃ বুলি স্বীকাৰ কৰে ।

ফনীন্দ ডেকা ফুকন
সভাপতি, হীৰা জিৰা



স্মৰণিকাৰ সভাপতিৰ কাপৰ পৰা -

# এজন বীৰ ঃ এটা প্ৰতিমূৰ্ত্তি

ফনীন্দ্ৰ ডেকা ফুকন

এগৰাকী মাতৃ সন্তানৰ বাবে অকাতৰ হিত সাধিনী । জন্ম দিওঁতা এই মাতৃগৰাকীৰ পিচতো কেগৰাকীমান মাতৃ আছে মানুহৰ সমাজত । তেওঁলোকেও সন্তান সকলৰ প্ৰতি অকাতৰ স্নেহ প্ৰদান কৰে কল্যাণ দান কৰে । তেওঁলোক হ'ল মাতৃভূমি, মাতৃভাষা আৰু মাতৃ সভ্যতা । এজন মানুহ এখন সমাজ এখন দেশ এটা জাতি এই চাৰিগৰাকী মাতৃ বিহনে স্থিতিহীন পৰিচয় হীন । এজন ৰজা বা ৰাজদণ্ডৰ গৰাকী হবলৈ হলে এই আতাই কেগৰাকীকে ৰক্ষা কৰিব পৰা ক্ষমতা আৰু নিজেও সেই মাতৃ সুলভ নিৰপেক্ষ গুণৰ অধিকাৰী হব লাগিব । এইখিনিৰ পিছতো যিজনে অন্য সকলো প্ৰতিকূলতা প্ৰতিহত কৰি নিজৰ প্ৰভূত্বৰ মানবীয়তাৰে গুণ আৰু ক্ষমতাৰ বিস্তাৰ ঘটাব পাৰে তেৱেঁ প্ৰকৃতাৰ্থত বীৰ । বীৰ চিলাৰায় এই আতাইখিনি গুণ আৰু ক্ষমতাৰ গৰাকী আছিল । মানুহৰ আত্মা যেনেকৈ অবিনাশী সেইদৰে মানুহৰ গুণ-কৃতিত্ব-বীৰত্বও দীৰ্ঘস্থায়ী অবিনাসী । সাহিত্য কলা সঙ্গীতে মানুহৰ সকলো স্মৃতি সঞ্চয়েৰে যুগান্তৰ বগাব পাৰে, এসময়ৰ এটা জাতি-এখন দেশ-ভটা ভাষা এটা কলা এটা সংস্কৃতিৰ সাক্ষ্যপ্ৰদান কৰিব পাৰে । সেয়ে মানুহৰ কৰ্ম বা সংস্কৃতিৰ মাপকাঠি ৰূপে স্মৃতিচিহ্ন স্মৃতিগ্ৰন্থ স্মৃতিস্তম্ভ নিতান্ত প্ৰয়োজন । বাল্মিকী-ব্যাস-কালিদাস এই মণিষী সকলে ইয়াকে দুহাৰি গৈছে । আপোন আপোন সৃষ্টিৰ ক্ষমতাৰে । সেয়ে আজি সদৌ অদম কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু মৰিগাঁও জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত কেন্দ্ৰীয় ভাৱে মৰিগাঁৱত উদ্‌যাপন কৰিবলৈ লোৱা বীৰ চিলাৰায় দিৱসৰ স্মৃতিগ্ৰন্থৰ সভাপতিৰ দায়িত্ব পালন কৰিবলৈ গৈ কোচ ৰাজবংশৰ এই বীৰ জনৰ প্ৰতি অসমৰ কোচ সকল আৰু অসম চৰকাৰে জনোৱা শ্ৰদ্ধাৰ সাক্ষী এটা প্ৰতিমূৰ্ত্তিৰ কথা মনত পেলাব খুজিছো । যি জনে তাহানিৰ দুৰুহ দূৰ্গম যাতায়তৰ সময়তো বিভিন্ন জাতি-ভাষা-সংস্কৃতি একত্ৰিত কৰি এখন বৰ অসম গঢ়াৰ আকাংখ্যা হৃদয়ত পোষণ কৰিছিল ।

সেয়া ১৯৮৪ চনৰ ১৬ ফেব্ৰুৱাৰীৰ কথা । গুৱাহাটীৰ উত্তৰ পাৰত এদিন হেজাৰ হেজাৰ মানুহ সমবেতহৈ মুৰতুলি আকাশলৈ চোৱাৰদৰে এই দেখিবলৈ পাম এই দেখিবলৈ পাম কৈ হেপাহৰ বস্তু এটা দেখা পাবলৈ অধীৰ উৎকণ্ঠাৰে বৈ আছিল । মানুহৰ জাকৰ হেপাহৰ সেই বস্তুটো আছিল এখন আৰ কাপোৰৰ সিফালে । যাদুকৰে কলা পৰ্দা আতৰাই দৰ্শকক অলৌকিক বস্তু এটা প্ৰদৰ্শন কৰিবলৈ আগবঢ়াৰ দৰে আগ বাঢ়ি গ'ল এজন ভদ্ৰলোক । সেই আকৰ্ষণীয় লোকজন আছিল সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়া । মানুহজন আগবাঢ়ি যোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰৰ হাজু আমিনগাঁও চকত গোতখাই থকা হেজাৰ লোক নিস্তব্ধহৈ সন্তৰ্পনে নিৰীক্ষণ কীৰ ৰ'ল হেপাহৰ সেই নিৰ্দ্দিষ্ট বস্তুটো দেখা পাবলৈ । মূখ্যমন্ত্ৰী শইকীয়া ডাঙৰীয়াই আতৰাই পেলালে উন্মোচনী আৱৰণ । ওলাই পৰিল এটা শুসজ্জিত বেদিৰে সৈতে ৩০ ফুট উখ; উদ্যত তৰুৱালধাৰী বীৰৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি ।

বীশ্ববীৰ বুলি ধ্বনীৰে মুখৰিত হৈ পৰিল আকাশ বতাহ । ইমান দিনে নিষ্পেষিত হৈ থকা এজন বীৰৰ কৃতিত্বই এজাকক উপলব্ধি সম্পন্ন লোকৰ পৰা আদায় কৰিলে প্ৰাপ্য এক সন্মান । স্বদেশ স্বজাতিৰ হকে নিৰবচিন্ন তৎপৰতাৰে নিজৰ পৰাক্ৰম কাৰ্য্যত খটোৱা শ্ৰমৰ আদায় কৰিলে মৎসামান্য আন্তৰিকতা ।

বীৰ চিলাৰায় সেইজন ।

যিজনৰ অপূৰ্ব তাৎপৰ্য্যময় ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি অসংখ্য লোকৰ সন্মূখত উদ্ভাষিত হ'ল ।

বীৰ চিলাৰায়ৰ এনে এটা প্ৰতিমূৰ্ত্তি অসম বাসীৰ চকুৰ আগত ডাঙি ধৰিবলৈ সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ বহু দিনীয়া কল্পনা আছিল আৰু ১৯৬৯ চনত গোৱালপাৰা জিলাৰ চৌতাৰা অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰি সেই সময়ৰ চৰকাৰ খনৰ হাতত অৰ্পন কৰিছিল । পিচে সেই প্ৰস্তাৱ প্ৰস্তাৱ হৈয়ে ৰ'ল চৰকাৰ খনৰ হাতত । কোনো প্ৰকাৰৰ যত্ন নচলিল প্ৰস্তাৱটো ৰূপায়ন কৰাৰ প্ৰতি । কিছুদিন পিছত আহিল মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিন । সৌভাৰ্গ্য ক্ৰমে তেখেতৰ দিনতে চৰকাৰী ভাৱে ব্যৱস্থা চলিল লাচিত বৰফুকন আৰু তেখেতৰ লগতে বীৰ চিলাৰায়ৰো প্ৰতিমূৰ্ত্তি এটা নিৰ্মাণৰ প্ৰস্তুতিৰ । এই প্ৰস্তুতিও নিঠৰ পৰি ৰ'ল কেইবা খনো চৰকাৰৰ কাৰ্য্যকাল পাৰ হৈ যোৱা লৈকে । অৱশেষত অসমৰ কোচ সকলৰ মহাপৰাক্ৰমী বীৰ চিলাৰায়ৰ ৪৭৪ তম জন্ম জয়ন্তীৰ ইতিপুৰ্বে আহি সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিল ব্ৰঞ্জৰ সেই মূৰ্ত্তিটো জনসাধাৰণৰ আগত উন্মোচন কৰিব পৰাকৈ । অৱশেষত ইয়াক স্থাপন কৰা হ'ল শৰাইঘাট দলঙৰ উত্তৰ পাৰৰ হাজো-আমিনগাঁও চকত । সম্পূৰ্ণ উলহ মালহেৰে উদ্‌যাপন কৰা বীৰ চিলাৰায়ৰ সেই জয়ন্তী উৎসৱতে অসমৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই মূৰ্ত্তিটো উন্মোচন কৰি এজন জাতীয় বীৰৰ প্ৰতি জনাব লগীয়া কৃতজ্ঞতা সাৰ্থক কৰিলে ।

বীৰ চিলাৰায়ৰ এই মূৰ্ত্তিটো নিৰ্মাণ কৰা হ'ল মাটিৰ ওনৰত প্লাষ্টিক ঢালাই দি ওপৰত কৰা হল ব্ৰঞ্জৰ ধাতুৰ ঢালাইৰে । অত্যন্ত আকৰ্ষণীয় এই মূৰ্ত্তিটো নিপোটল দেহী সামৰ্থ্যৱান এটা ঘোৰাই উদ্যত তৰুৱাল হাততলৈ শত্ৰুৰ আক্ৰমণ ওফৰাই পেলাবলৈ ওলোৱা ৰণব্যগ্ৰ কোচ সেনাপতি বীৰ চিলাৰায়ক পিঠিত লৈ অকল পিচফালৰ ঠেং দুখনতে ভৰদি উৰামাৰি যাব খোজাৰ ভঙ্গিমাৰে ৰৈ আছে । উৰণ ভঙ্গিমাৰ ৰণচণ্ডী এই ঘোৰাটোৰ খুৰাৰ পৰা চিলাৰায়ৰ মূৰলৈকে ইয়াৰ উচ্চতা সম্পূৰ্ণ ১৮ ফুট আৰু বেদীৰ সৈতে ইয়াৰ মুঠ উচ্চতা হ'ল ৩০ ফুট । প্ৰকৃততে এই মূৰ্ত্তিটো সৰু ডাঙৰ ৬০টা খণ্ডৰ সমষ্টি । ইয়াক নিৰ্মাণ কৰোতে মুম্বাইৰ কল্যাণৰ শিল্পী জনাৰ বসতি স্থানৰ পৰা চাৰিটা খণ্ডত সামৰি অসমলৈ অনা হয় আৰু গুৱাহাটীৰ আহি পোৱাৰ পিচতহে এই চাৰিখণ্ড সংযুক্ত কৰি মূল মূৰ্ত্তিটোৰ ৰূপ দিয়া হয় । অপূৰ্ব বীৰত্ব অঙ্কিত তাৎপৰ্য্য সঞ্চিত এই মূৰ্ত্তিটোৰ শিল্পীজন এজন মাৰাঠী বিপ্ৰ । নাম তেওঁৰ এচ, ডি, চাথে ।

মূৰ্ত্তিটো নিৰ্মাণৰ ইতিপূৰ্বে ইয়াৰ নক্সা প্ৰস্তুতৰ বাবে চলিছিল অনেক সুগভীৰ চিন্তা চৰ্চা আলোচনা । সেই সময়ৰ অসমৰ চৰকাৰৰ পুৰাতত্ব বিভাগৰ মুৰব্বীৰে সৈতে মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক, চিলাৰায়ৰ বংশৰ বৰ্ত্তমানৰ জীৱিত লোক, সেই সময়ৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি জিতেন্দ্ৰ নাৰায়ন দেৱ আদি ব্যক্তিৰে সৈতে এচ, ভি, চাথেই নানা পোনপতীয়া আলোচনাত মিলিত হোৱাৰ পিচত অনেক পুথিপাজি চিত্ৰাৱলী নক্সাদি অধ্যয়ন কৰে আৰু অৱশেষত পিচফালৰ ঠেং দুখনৰ খুৰাৰ ওপৰত ভৰ



দি এই উৰো এই উৰোকৈ থকা ৰণচণ্ডী ঘোৰাটোৰ পিঠিত উদ্যত তৰুৱাল হাততলৈ শত্ৰু প্ৰতিহত কৰিবলৈ সন্তম হৈ থকা কোচ সেনাপতি বীৰ চিলাৰায় ভঙ্গিমা ৰচনা কৰে অপূৰ্ব ভাৱে । ইয়াৰ পিচত শিল্পীজন ব্ৰতী হ'ল ইতিপূৰ্বে নিৰ্দ্ধাৰিত বিৰচিত অনুক্ৰমিক মাটিৰ এক মূৰ্ত্তি নিৰ্মাণত । মাটিৰে মূৰ্ত্তিটো নিৰ্মাণ কৰি ওলিওৱাৰ পিচত পুনৰ ইয়াক পঠিয়াই দিলে অসমলৈ ইয়াৰ অন্তিম অনুমোদনৰ বাবে । সেই সময়ৰ অসম চৰকাৰ কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি জীতেন্দ্ৰ নাৰায়ন দেৱৰ অনোমোদনৰ পিছতেই নিৰ্মাণ কৰি ওলিয়ালে বীৰ চিলাৰায়ৰ ব্ৰঞ্জৰ মূৰ্ত্তিটোৰ ৰূপটো । বিচিত্ৰ এই মূৰ্ত্তিটোৰ পাচ ঠেং দুখনৰ খুৰা দুটাৰ ওপৰতেই পৃষ্ট হৈ আছে সম্পূৰ্ণ পাঁচটন ওজন । মহাপৰাক্ৰমী বিশ্ব মহাবীৰ চিলাৰায়ৰ এই প্ৰতিমূৰ্ত্তিটোৰ বাবে খৰচৰ সম্পূৰ্ণ হিচাপ প্ৰায় চাৰিলাখ টকা হ'লগৈ আৰু ইয়াৰ পৰৱৰ্তী স্থানৰ শুভাবৰ্দ্ধনৰ বাবে চল্লিছ লক্ষ টকাৰো অধিক ধন ব্যয় কৰি গুৱাহাটীৰ মেট্ৰপলিটান ডেভেলপমেণ্ট অথৰিটিয়ে নিৰ্মাণ কৰি ওলিয়াইছে এখনি আটকধুনীয়া পাৰ্ক । এই পাৰ্ক খনিকো ১৯৯৬ চনৰ ৪ ফেব্ৰুৱাৰীৰ বিশ্ব মহাবীৰ চিলাৰায়ৰ ৪৮৬ তম জয়ন্তী উৎসৱতে উন্মোচন কৰে তেতিয়াৰ অসমৰ মূখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ।

বীৰ চিলাৰায়ৰ প্ৰতি শ্ৰদ্ধাশীল ৰাইজলৈ আজিৰ এই পবিত্ৰ দিনটোত মই আহ্বান কৰো আপোনাসৱ প্ৰতিজনৰে হৃদয়ে জাগ্ৰত হওঁক বীৰত্ব-স্বাৱলম্বীতা-স্বাধীনতা আৰু ন্যায্য প্ৰাপ্তিৰ প্ৰতি গভীৰতকৈয়ো সু-গভীৰ প্ৰেম । কাৰণ সৃষ্টী ইচ্ছাই হ'ল সৌন্দৰ্য্যময় প্ৰেম আৰু এই প্ৰেমেই হেনো সৃষ্টিৰ ব্ৰহ্ম শক্তি । এই শক্তি উদ্‌ভাবিত সঞ্চাৰিত হয় সৌন্দৰ্য্যময় যৌৱন কালত । বীৰত্বও যৌৱনকালৰ অন্য এক উপমা বিহীন সৌন্দৰ্য্য । মোৰ দেশ আৰু মানুহৰ মাজলৈ নামি আহক সেই যৌৱন যাৰ নাম বীৰত্ব । আজিৰ সভাত উপস্থিত প্ৰতিজন লোকৰ হৃদয়ে হৃদয়ে বৈ যাওক বীৰ চিলাৰায়ৰ উপলব্ধি আত্মীয়তা দিগ্বীজয়ী মানসিকতা সম্প্ৰীতিময় বৰ অসম গঢ়াৰ মানসিকতা । ॥ জয় গুৰুধ্বজ ৰায় ॥

*বীৰ চিলাৰায়ৰ এনে এটা প্ৰতিমূৰ্ত্তি অসম বাসীৰ চকুৰ আগত ডাঙি ধৰিবলৈ সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ বহু দিনীয়া কল্পনা আছিল আৰু ১৯৬৯ চনত গোৱালপাৰা জিলাৰ চৌতাৰা অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰি সেই সময়ৰ চৰকাৰ খনৰ হাতত অৰ্পন কৰিছিল । পিচে সেই প্ৰস্তাৱ প্ৰস্তাৱ হৈয়ে ৰ'ল চৰকাৰ খনৰ হাতত । কোনো প্ৰকাৰৰ যত্ন নচলিল প্ৰস্তাৱটো ৰূপায়ন কৰাৰ প্ৰতি । কিছুদিন পিছত আহিল মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিন । অৱশেষত অসমৰ কোচ সকলৰ মহাপৰাক্ৰমী বীৰ চিলাৰায়ৰ ৪৭৪ তম জন্ম জয়ন্তীৰ ইতিপূৰ্বে আহি সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিল ব্ৰঞ্জৰ সেই মূৰ্ত্তিটো জনসাধাৰণৰ আগত উন্মোচন কৰিব পৰাকৈ । অৱশেষত ইয়াক স্থাপন কৰা হ'ল শৰাইঘাট দলঙৰ উত্তৰ পাৰৰ হাজো-আমিনগাঁও চকত । সম্পূৰ্ণ উলহ মালহেৰে উদ্‌যাপন কৰা বীৰ চিলাৰায়ৰ সেই জয়ন্তী উৎসৱতে অসমৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াই মূৰ্ত্তিটো উন্মোচন কৰি এজন জাতীয় বীৰৰ প্ৰতি জনাব লগীয়া কৃতজ্ঞতা সাৰ্থক কৰিলে ।*



OKDISCD

# বিশ্ব মহাবীৰ চিলাৰায় দেৱানৰ ৪৯৪ তম্ জন্ম জয়ন্তী
# ইতিহাসৰ দৃষ্টি কোনেৰে ইয়াৰ তাৎপৰ্য্য আৰু প্ৰয়োজনীয়তা

উপেন চন্দ্ৰ ডেকা

এজন ব্যক্তি, এটা জাতি নাইবা এটা বংশ বিখ্যাত হয় তেওঁলোকৰ কৰ্মৰাজিৰ কাৰণেহে । প্ৰচলিত নাম নাইবা বংশ পৰম্পৰাৰ কাৰণে কোনেও বিখ্যাত হব নোৱাৰে । এসময়ত অসমৰ শাসনকৰ্ত্তা অসমীয়া ভাষা সংস্কৃতিৰ কৰ্ণধাৰ, মহাপুৰুষ শঙ্কৰদেৱৰ বিশুদ্ধ মাৰ্গদৰ্শন আৰু বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ হোতা কোচ জাতিৰ ইতিহাস গৱেষণাৰ বিষয়বস্তু হোৱাৰ স্থল আছে যদিও বিভিন্ন কাৰণত সেয়া আজিও হৈ উঠা নাই । কোচ ৰাজবংশৰ শ্ৰেষ্ঠ শাসন কৰ্তা ৰজা নৰনাৰায়ন আৰু তেওঁৰ সুযোগ্য ভাতৃ চিলাৰায় দেৱানৰ সম্পৰ্কেও বুৰঞ্জীবিদ তথা বিজ্ঞজনে উচিত বিচাৰ কৰা দৃষ্টিগোচৰ হোৱা নাই । অসমত কোচ ৰজা নৰনাৰায়ন আৰু চিলাৰায় দেৱান সম্পৰ্কে যিমান আলোচনা সমালোচনা আৰু লিখা মেলা হৈছে তাতোকৈ অধিক হৈছে চুবুৰীয়া ৰাজ্য পশ্চিম বঙ্গত ।

বুৰঞ্জীবিদ টয়নবীৰে বীৰ চিলাৰায় পৃথিৱী বিখ্যাত যুদ্ধা নেপোলিয়ন বোনাপাট আৰু ভাৰতৰ মাৰাঠা বীৰ ছত্ৰপত্তি শিৱাজীৰ লগত তুলনা কৰিছে । কিন্তু নিৰ্মোহ সমালোচনা কৰিবলৈ হলে ৰজা নৰনাৰায়ন আৰু তেওঁ ৰ ভাতৃ চিলাৰায় দেৱানৰ প্ৰজাহিতকৰ কাম কাজ আৰু যুদ্ধ কৌশল তথা যুদ্ধ নীতি নেপোলিয়ন বোনাপাট নাইবা ছত্ৰপতি শিৱাজীতকৈ বহুগুণে শ্ৰেষ্ঠ আছিল ।

নেপোলিয়ন বোনাপাটৰ যুদ্ধৰ একমাত্ৰ উদ্দেশ্য আছিল দ্বিগ্বীজয়, ৰাজ্য বিস্তাৰ আৰু ধন সোণ সংগ্ৰহ । সেইদৰে ছত্ৰপতি শিৱাজীৰ যুদ্ধৰ উদ্দেশ্য আছিল পিচপৰা সম্প্ৰদায়ৰ প্ৰজাসকলক একত্ৰিত কৰি মোগলৰ কবলৰ পৰা মাৰাঠা জাতিক উদ্ধাৰ কৰা । কিন্তু বীৰ চিলাৰায়ৰ ?

কোচ ৰাজবংশৰ শিৰৰ মুকুট ৰজা নৰনাৰায়নে কৰা বিভিন্ন প্ৰজাহিতকৰ কামৰ লগতে আজিও বিজ্ঞান আৰু প্ৰযুক্তি কৌশলৰ চৰম পৰ্য্যায়তো অসমত যাতায়ত ব্যৱস্থা সম্পূৰ্ণ সুচল কৰি তুলিবলৈ সমৰ্থ হোৱা নাই যদিও ভাতৃ গোহাঁই কমলৰ দ্বাৰা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কোচবিহাৰৰ পৰা পৰশুৰাম কুণ্ডলৈকে প্ৰায় ৪০০ মাইল দৈৰ্ঘৰ এটা ৰাস্তা নিমাৰ্ণ কৰি উলিয়াইছিল । ৰাস্তা নিমাৰ্ণ কৰাই নহয় ইয়াৰ দুয়ো পাৰে বৃক্ষৰোপন আৰু অতিথিশালা যাত্ৰীৰ সুবিধাৰ কাৰণে নিৰ্মাণ কৰা কাৰ্য্য বৰ্ত্তমান যুগতো সম্ভৱ হৈ উঠা নাই । কিন্তু আজিৰ পৰা প্ৰায় পাঁচশ বছৰৰ পূৰ্বেই ৰজা নৰনাৰায়নে সেই কামাক সম্ভৱ কৰি তুলিছিল ।

ৰজা নৰনাৰায়নৰ নিদেৰ্শমৰ্মে ভাতৃ চিলাৰায় দেৱানে কৰা দ্বিগ্বীজয়ৰ উদ্দেশ্য বাহ্যিক দৃষ্টিত ৰাজ্য বিস্তাৰ যদিও ইয়াৰ অন্তৰ নিহিত উদ্দেশ্যও মন কৰিবলগীয়া । চিলাৰায় দেৱানে অভিনৱ যুদ্ধ কৌশলোৰ আৰম্ভ কৰা দ্বিগ্বীজয় অভিযানৰ সময়ত অন্যান্য যুদ্ধাৰ দৰে তৰোৱালৰ ঝনঝননিয়েই শুনিবলৈ পোৱা নগৈছিল; ইয়াৰ মাজে মাজে মানবীয়তাৰ গুণৰাশিও প্ৰকাশ পাইছিল । উদাহৰণ স্বৰূপে ৰজাক বন্দী কৰাৰ প্ৰতিবাদত মৎস্যভোজী পক্ষী বিলাকে



গছৰ ডালত বহি মৌনব্ৰত পালন কৰাৰ খবৰ পাই বীৰ চিলাৰায়ে ডিমৰুৱা ৰাজ্যৰ ৰজা থানেশ্বৰক কৰতলতীয়া ৰজা হিচাপে বশ্যতা স্বীকাৰ কৰোৱাই প্ৰাণ দান দিয়ে । সেইদৰে শ্ৰীহট্ট ৰাজ্যত আক্ৰমণ চলাই তিনিদিন অবিৰত যুদ্ধ কৰিও জয়লাভৰ আশা নেদেখি চিলাৰায় দেৱানে চিলনীৰ দৰে কোষমুক্ত তৰোৱাল হাতত লৈ শত্ৰু সৈন্যৰ ওপৰত জপিয়াই পৰে । এই যুদ্ধত শ্ৰীহট্টৰ ৰজা পিছত হয় আৰু তেওঁ ভাতৃ অসিনাৰায়নে বশ্যতা স্বীকাৰ কৰি কোচ ৰাজ্যৰ সামন্তৰাজ্য হিচাপে থকাৰ অধিকাৰ লাভ কৰে । ত্ৰিপুৰা ৰাজ্য আক্ৰমণৰ সময়ত ৰজা বিজয় মানিক্যই বশ্যতা স্বীকাৰ কৰিবলৈ অমান্তি হোৱাত লখাইত দুয়োপক্ষৰ মাজত তুমুল যুদ্ধ হয় আৰু এই যুদ্ধত ৰজা বিজয় মানিক্যৰ মৃত্যু ঘটে । পিছত তেওঁৰ ভাতৃক ৰাজপাটত বহুৱাই কৰতলীয়া ৰজাৰ মৰ্য্যদা প্ৰদান কৰে । জয়ন্তীয়া ৰাজ্য আক্ৰমণৰ সময়ত জয়ন্তীয়া ৰজাই বশ্যতা স্বীকাৰ নকৰি যুদ্ধত লিপ্ত হয় আৰু এই যুদ্ধত জয়ন্তীয়া ৰজাৰ মৃত্যু হয় । চিলাৰায়ে জয়ন্তীয়া ৰজাৰ পুত্ৰ বিজয় মানিক্যক পলাতক অৱস্থাৰ পৰা বিচাৰি আনি সিংহাসনত বহুৱাই আৰু সামন্ত ৰজা হিচাপে থাকিবলৈ অনুমতি প্ৰদান কৰে । এই অভিযানত চিলাৰায় দেৱানে শ্ৰীহট্টলৈকে ৰাজ্য বিজয় কৰি ১৫৬৪ চনৰ শেষ ভাগত বিজয় অভিযানৰ সামৰণি মাৰে । উত্তৰ পূৰ্ব্বাঞ্চলৰ সৰু বৰ সকলো ৰাজ্য কোচ সাম্ৰাজ্যৰ তলতীয়া হয় ।

এই অভিযানত সংগৃহীত ধন সোণ ৰজা নৰনাৰায়ন আৰু ভাতৃ চিলাৰায়ে ব্যক্তিগত সম্পতি হিচাপে ব্যৱহাৰ নকৰি সাতদুৱাৰত অৰ্থাৎ বৰ্ত্তমানৰ গুৱাহাটীৰ সাতগাঁৱত বাহৰ পাতি আনুষ্ঠানিক ভাৱে কৰভাৰ আদায় কৰিছিল । আহোম ৰাজ্য, কছাৰী, জয়ন্তীয়া, মনিপুৰ, ডিমৰুৱা, খাচী আৰু ত্ৰিপুৰা এই সাতখন ৰাজ্যই কৰভাৰেৰে চিলাৰায়ক সন্মান জনাছিল । কামত আছে কৰতলীয়া ৰজাসকলৰ পৰা সংগৃহীত ধন সোণ কালাপাহাৰে ধ্বংস কৰি থৈ যোৱা কামাখ্যা মন্দিৰৰ পুনৰ নিৰ্মাণ আৰু মেৰামতিৰ কামত ব্যয় কৰিছিল । এনে কাৰ্য্য পৃথিৱীৰ ভিতৰতে বিৰল ।

বৰাক উপত্যকাৰ সাহিত্যিক, সাংবাদিক আৰু বুৰঞ্জীবিদসকলে জানিবলৈ দিয়ামতে বীৰ চিলাৰায়ে ৰাজ্য বিস্তাৰৰ এই অভিযানৰ সময়ত ডিমৰীয়াৰ পৰা পাহাৰৰ নামনিয়েদি বৰ্ত্তমান মেঘালয় ৰাজ্যত প্ৰবেশ নকৰাকৈ শিলচৰ টাউন পোৱাৰ ১৬ কিঃমিঃ দূৰত্বত উপস্থিত হৈছিল । এই ৰাস্তাটো ৰাজ্য চৰকাৰে বৰ্ত্তমানেও নিৰ্মাণ কৰিবলৈ সমৰ্থ হোৱা নাই । ভৱিষ্যতে এনে এটা ৰাস্তা জাতীয় চৰকাৰখনে নিৰ্মাণ কৰি উলিওৱাটো সম্ভৱ নহব বুলিয়েই বহুতৰ ধাৰণা। অথচ এই ৰাস্তাটো নিৰ্মাণ কৰি উলিওৱাহেঁতেন মেঘালয়ত প্ৰৱেশ নকৰাকৈ আৰু ওখ পাহাৰ বগাব নলগীয়কৈ হ্ৰস্ব দূৰত্বৰে শিলচৰ উপস্থিত হব পৰা হলহেঁতেন । ইয়াৰ ফলত বৰাক উপত্যকাৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম্পৰ্কও মধুৰ হৈ পৰাৰ পথ প্ৰশস্ত হৈ পৰিলহেঁতেন ।

বীৰ চিলাৰায় কেৱল যে যুদ্ধ বিশাৰদহে আছিল এনে নহয়; তেওঁ এফালে চিকিৎসা শাস্ত্ৰতো পাৰ্গত আছিল । গৌড়ৰাজ্য আক্ৰমণ কৰিবলৈ গৈ বীৰ চিলাৰায়ে গৌড়ৰজাৰ হাতত বন্দী হবলগীয়া হৈছিল । ইফালে জেষ্ঠ ভাতৃ নৃপতি নৰনাৰায়নেও আত্মগোপন কৰিবলগীয়া হৈছিল । আত্মগোপন কৰি ফুৰোতে এতদন নিজ পৰিচয় দি এমুঠি অন্ন ভীক্ষা কৰিও সন্তোষজনক ভীক্ষা নোপোৱাৰ বেদনাত তেওঁ ভাতৃ চিলাৰায়ক মুক্ত কৰিব নোৱাৰালৈকে অন্ন গ্ৰহণ নকৰাৰ ভীষ্ম প্ৰতিজ্ঞা কৰে আৰু সিদিনাৰ পৰা ফলমূল আৰু কেৱল গাখীৰ খাই প্ৰাণৰক্ষা



OKDISCD

করিবলৈ প্ৰতিজ্ঞা কৰে । সমসাময়িকভাৱে সেই সময়ত মোগলৰ হাতৰ পৰা মৰমৰ চিতোৰ উদ্ধাৰ কৰিব নোৱাৰালৈকে দাড়ি, চুলি নাকাটিবলৈ আৰু বিচনাৰ পৰিবৰ্তে মাটিত শুবলৈ ৰাণা প্ৰতাপ সিংহই প্ৰতিজ্ঞা কৰাৰ কথা বুৰঞ্জীৰ পৰা জানিব পৰা যায় ।

চিলাৰায় গৌড়ৰ ৰজাৰ হাতত বন্দী হৈ থকা অৱস্থাত গৌড়ৰ ৰজাৰ মাতৃক সৰ্পই সংশন কৰে । চিলাৰায়ে অৰ্জিত অভিজ্ঞতাৰে চিকিৎসা কৰি গৌড়ৰ ৰজাৰ মাতৃক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰে । পিচত মাতৃৰ অনুৰোধমৰ্মে গৌড়ৰ ৰজাই চিলাৰায়ক মুকলি কৰি দিয়ে আৰু মাতৃয়ে "ধৰ্ম পুত্ৰ" হিচাপে চিলাৰায়ক স্বীকৃতি দি চাৰিজনী হিন্দু কন্যাক চিলাৰায়ৰ লগত বিয়া দি নিজ ৰাজ্যলৈ সসন্মানে পঠিয়াই দিয়ে ।

মহামতি আকবৰেও কোচ ৰজা নৰনাৰায়নক যিকান সন্মান আৰু মৰ্য্যদা প্ৰদান কৰিছিল ভাৰতবৰ্ষৰ সমসাময়িক কোনো স্বাধীন ৰজাই সিমানখিনি সন্মান আৰু মৰ্যদা পোৱা নাছিল । দুয়োজনৰ মাজত মধুৰ বন্ধুত্বও আছিল আৰু দুয়োজনে লগ লাগি গৌড় ৰাজ্য আক্ৰমণ কৰি গৌড়ৰ ৰজাক পৰাস্ত কৰিছিল । কিন্তু দুভাৰ্গ্যৰ বিষয় নৰনাৰায়নে দ্বিতীয়বাৰ গৌড় ৰাজ্য আক্ৰমণ কৰিবলৈ গৈ ১৫৭১ চনত চ'ত মাহত গঙ্গাৰ পাৰত বসন্তৰোগত আক্ৰান্ত হৈ বিশ্ব মহাবীৰ ভাতৃ বীৰ চিলাৰায় ওৰফে সংগ্ৰাম সিংহ তথা শুক্লধ্বজ চিৰদিনৰ কাৰণে ইহসংসাৰ ত্যাগ কৰে । শুক্লধ্বজৰ মৃত্যুৰ পিছত ৰজা নৰনাৰায়ন মানসিকভাৱে দুৰ্ব্বল হৈ পৰে । নৰনাৰায়নে ভাতৃ সংগ্ৰাম সিংহৰ বাহুবলৰ বাবেই পশ্চিমে মিথিলাক সীমা কৰি পূৰ্বে অসমৰ শেষ সীমা, উত্তৰে হিমালয়ৰ পৰা দক্ষিনে চট্টগ্ৰামৰ ওচৰৰ বঙ্গোপসাগৰৰ বেলাভূমি পৰ্যন্ত অধিকাৰ কৰি কোচ ৰাজ্যৰ তলতীয়া কৰিবলৈ সমৰ্থ হৈছিল । "ৰামায়ণ মহাভাৰতৰ দিনৰ পৰা আৰম্ভ কৰি কোনো নৃপতিৰ দিনত ইমান বিশাল ভূখণ্ড এক তলতীয়া হোৱা নাছিল ।" সেয়েহে টয়নবীৰে নেপোলিয়ন বোনাপাট আৰু ছত্ৰপতি শিৱাজীৰ লগত একে শাৰীতে বীৰ চিলাৰায়কো স্থান দিছিল । কিন্তু ৰজা নৰনাৰায়ন আৰু ভাতৃ চিলাৰায় দেৱানে এফালে যেনেকৈ প্ৰজা বৎসল্য ৰজাৰ চানেকী দিবলৈ সমৰ্থ হৈছিল আৰু চিলনীৰ দৰে যুদ্ধ কৰি এক বিশাল সাম্ৰাজ্যৰ অধিকাৰী হৈছিল সেইদৰে পাণ্ডিত্য আৰু কঠোৰ নীতিনিষ্ঠাতাৰো পৰিচয় দিছিল ।

মহাৰাজ বিশ্বসিংহৰ মৃত্যুৰ পিছত জেষ্ঠ পচত্ৰ নৰসিংহ ৰাজপাটত আৰোহণ কৰাৰ ঈৰ্ষাত নৰনাৰায়ন আৰু শুক্লধ্বজে দেশ এৰি বাৰাণসীত ব্ৰহ্মানন্দ বিশাৰদ নামৰ এজন সন্যাসীৰ আশ্ৰমত থাকি ব্যাকৰণ, সাহিত্য, জ্যোতিষ, শ্ৰুতি, স্মৃতি, ন্যায়, মীমাংসা, পুৰাণ আদি শাস্ত্ৰৰ শিক্ষা গ্ৰহণ কৰি সকলো শাস্ত্ৰতে ব্যুৎপত্তি লাভ কৰিছিল । এই দিশৰ পৰা বিশ্বমহাবীৰ চিলাৰায়ক নেপোলিয়ন বোনাপাট আৰু ছত্ৰপতি শিৱাজীতকৈ ওখ আসন দিয়াটোহে সমীচিন হব ।

মহাৰাজ নৰনাৰায়নৰ দিনতে তেওঁৰ ৰাজসভাত সাংস্কৃত ভাষাত কথোপকথন হৈছিল । ১৫৬৮ খৃষ্টাব্দত পুৰুষোত্তম বিদ্যাবাগীশে ৰজাৰ নিৰ্দেশ মৰ্মে "প্ৰয়োগ ৰত্নমালা" প্ৰনয়ন কৰে । পণ্ডিত অনিৰুদ্ধ আৰু ৰাম সৰস্বতীয়ে ৰজাৰ আদেশমতে মহাভাৰত আৰু অষ্টাদশ পুৰাণৰ পদ পদ্যলৈ অনুবাদ কৰিছিল । নৰনাৰায়নৰ আদেশমতে শ্ৰীধৰ দৈৱজ্ঞই "জ্যোতিষ" আৰু বকুল কায়স্থই "ভূমি পৰিমাণ" নামৰ গ্ৰন্থ দুখন ৰচনা কৰাৰ উপৰিও "লীলাৱতী" নামৰ এখন গ্ৰন্থৰ অনুবাদ কৰিছিল ।

আহোম ৰাজ্য ত্যাগ কৰি শঙ্কৰদেৱে প্ৰথম চিলাৰায় দেৱানৰ আশ্ৰয় গ্ৰহণ কৰে । পিচতহে



গুৰুজনা ৰজা নৰনাৰায়নৰ সানিধ্যলৈ আহে । মহাপুৰুষ শঙ্কৰদেৱৰ ওপৰত হোৱা বিভিন্ন বিপদৰ সময়ত দেৱান চিলাৰায়ে সহায় কৰিছিল । এবাৰ শঙ্কৰদেৱক ফুলবাৰীত আত্মগোপন কৰোৱাই প্ৰাণ ৰক্ষাও কৰিছিল । ব্ৰহ্মান পণ্ডিত সকলৰ টুটকীয়া কথাত পৰি নৰনাৰায়নে শঙ্কৰদেৱক হত্যা কৰিবলৈ কৰা প্ৰচেষ্টা ব্যৰ্থ কৰি প্ৰাণ ৰক্ষা কৰা কাৰ্য্যই চিলাৰায় দেৱানৰ সুচিন্তিত সিদ্ধান্ত, প্ৰখৰ বুদ্ধিদীপ্ততা, তাৎক্ষনিক সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু নীতিনিষ্ঠাতাৰে পৰিচয় দাঙি ধৰে । বিশ্ব বিখ্যাত যুদ্ধা চিলাৰায় কেৱল যুদ্ধ বিশাৰদেই নাছিল, তেওঁ "গীত গোবিন্দ"ৰ টীকা প্ৰণয়ন কৰি সাহিত্যৰ প্ৰতি থকা অনুৰাগ আৰু সংস্কৃত ভাষাত থকা বুৎপত্তিৰো পৰিচয় দিব পাৰিছিল । এই দৃষ্টিভঙ্গীৰে লক্ষ্য কৰিলে চিলাৰয়ৰ আসন পৃথিৱীৰ বিখ্যাত যুদ্ধাসকলতকৈ বহু ওপৰত দিব লাগিব ।

১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৬ তাৰিখে উত্তৰ গুৱাহাটীৰ আমিন গাঁৱত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই চিলাপাহাৰৰ পাদ দেশত অশ্বাৰোহীৰ বেশত বীৰ চিলাৰায়ৰ এটি ব্ৰঞ্জৰ মূৰ্ত্তি স্থাপন কৰি বীৰজনাৰ প্ৰতি যোগ্য সন্মান প্ৰদান কৰা হৈছে ।

যোৱা কিছু বছৰ ধৰি অনাদৃত হৈ থকা কোচ জাতি আৰু বিশ্ব মহাবীৰ সংগ্ৰাম সিংহ অৰ্থাৎ চিলাৰায় দেৱানৰ ওপৰত লিখা মেলা আৰু চিন্তা চৰ্চা কৰাটো পৰিলক্ষিত হৈছে । ইতিহাসৰ দিশৰ পৰা এইটো এটা তাৎপৰ্য্যপূৰ্ণ দিশ । অসমৰ অসমীয়া জাতি, অসমীয়াৰ ভাষা সংস্কৃতিৰ বাবেও এইটো এটা শুভ লক্ষন । যোৱা বছৰৰ পৰা ৰজা বিশ্বসিংহই স্থাপন কৰা ৰাজধানী চিক্‌নাঝাৰ উদ্ধাৰ আৰু এই বছৰ কমতাপুৰ ৰাজ্যৰ দাবী এই দিশত বিশেষ তাৎপৰ্য্যপূৰ্ণ । বৰ্ত্তমান অসমৰ কেইবাগৰাকী লিখক লিখিকাই কোচ জাতিৰ ইতিহাস, বিশ্ব মহাবীৰ চিলাৰায় দেৱানৰ যুদ্ধ নীতি আৰু চিক্‌নাঝাৰ উদ্ধাৰৰ ওপৰত লিখা মেলা কৰা দৃষ্টি গোচৰ হৈছে । এইবাৰ বিশ্ব মহাবীৰ, চিলাৰায় দেৱানৰ ৪৯৪ তম্ জন্ম দিৱসৰ গলত সঙ্গতি ৰাখি, সদৌ কোচৰাজবংশী যুৱ ছাত্ৰ সন্থাই মঁৰিগাঁৱত চিলাৰায় দিৱস উদযাপন কৰিবলৈ লোৱা সিদ্ধান্তই দিৱসটোৰ বিশেষ তাৎপৰ্য্য বহন কৰিছে ।

(বিঃদ্রঃ - প্ৰবন্ধটো প্ৰস্তুত কৰোতে অম্বিকাচৰণ চৌধুৰীৰ কোচ ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি, ১৯৬৯, ১৯৮৩ ত একে প্ৰকাশিত দুখন গ্ৰন্থ আৰু বাতৰি কাকত প্ৰকাশিত কেইবাগৰাকী লিখক লেখিকাৰ প্ৰবন্ধৰ আশ্ৰয় লোৱা হৈছে ।)

*****

# প্ৰসংগ ঃ শুক্লধ্বজ চিলাৰায় ঃ
# দেশপ্ৰেম, ভাতৃত্ববোধ, মহানতাবোধ আৰু অস্তিত্বৰ প্ৰশ্ন

**মনমোহন ৰাজবংশী**

(পূৰ্বাভাস ঃ পূৰ্বভাৰতৰ অদ্বিতীয় মহান সেনাধ্যক্ষ, দেশপ্ৰেমিক, স্বজাতিৰ হকে জীৱন উৎসৰ্গা কৰ্ত্তা অসমীয়া জাতিৰ মহামানৱ সকলৰ মাজৰ এজন শুক্লধ্বজ ওৰফে সংগ্ৰামসিংহ ওৰফে চিলাৰায়ৰ জন্ম হৈছিল - ১৫১০ খৃষ্টাব্দৰ মাঘী পূৰ্ণিমা তিথিত কোচ ৰাজ্যত । ৰাজধানী আছিল কোচ বিহাৰ । পিতৃ কোচ সকলৰ পূৰ্বপুৰুষ বুলি খ্যাত হাৰিয়া মণ্ডলৰ মৰমৰ পুত্ৰ বিশু ওৰফে বিশ্বসিংহ । শুক্লধ্বজ চিলাৰায়ৰ শিক্ষা জীৱন আৰম্ভ হৈছিল ব্ৰহ্মানন্দ বিশাৰদৰ বাৰানসী শিক্ষা কেন্দ্ৰত । জ্যেষ্ঠভাতৃ মল্লদেৱ আছিল সহপাঠী । পিতৃ বিশ্বসিংহৰ মৃত্যুৰ পাছত মল্লদেৱে নৰনাৰায়ণ নাম লৈ ৰাজপাটত উঠে । সংগ্ৰাম সিংহ নাম দি শুক্লধ্বজক সেনাধিনায়ক পাতিলে । ফলস্বৰূপে কোচ ৰাজ্যৰ সীমা পূবেমিথিলাৰ পৰা পশ্চিমে পৰশুৰাম কুণ্ডলৈ, উত্তৰে হিমালয়ৰ পৰা দক্ষিনে চট্টগ্ৰামৰ ওচৰৰ সাগৰ উপকুললৈ নিৰ্দ্ধাৰিত কৰালে চিলাৰায়ে আপোন ৰণকৌশলৰ সহায়েৰে । সকলো পুৰুষাৰ্থ সমাপ্ত কৰাৰ পাছত ১৫৮৩ খৃষ্টাব্দৰ দৌলপূৰ্ণিমা তিথিৰ দিনা মোগলৰ সৈতে গৌড়দেশ জয় কৰি উলটি আহোতে বসন্তৰোগত আক্ৰান্ত হৈ গংগাৰ তীৰভূমিত স্বৰ্গগামী হয় ।)

চিলাৰায় দেৱান এক উজ্বল প্ৰতিভু যাৰ সাহস, কৰ্ত্তব্যনিষ্ঠা, দেশপ্ৰেমৰ ৰিজনি হয় কেৱল আহোম সেনাপতি লাচিত বৰফুকনৰ সৈতে । ১৫০০ খৃষ্টাব্দতে বৰ অসমৰ সপোন দেখিছিল দেৱান চিলাৰায়ে । কোচ কমতা ৰাজ্যৰ কলেবৰ বৃদ্ধি কৰাৰ সপোন আছিল তেওঁৰ দুৰ্ণিবাৰ । এই সপোন সাৰ্থক কৰাৰ উদ্দেশ্যে তেওঁ জয় কৰি গৈছিল এখনৰ পাছত এখনকৈ ৰাজ্য । এই ৰাজ্য জয় কৰা কাৰ্য্যই চিলাৰায়ৰ দুৰদৰ্শী ভাৱধাৰাৰ পৰিচয় দিয়ে । আনৰ ৰাজ্যৰ অনিষ্ট সাধন কৰা বা সেই ৰাজ্যবোৰৰ প্ৰজা সকলৰ অনিষ্ট সাধন কৰাৰ তেওঁৰ অভিপ্ৰায় নাছিল । নিজ ৰাজ্যৰ শৌৰ্য্য, বীৰ্য্য আৰু উন্নতশীল কৰোৱাৰ বাবেই তেওঁৰ এই প্ৰচেষ্টা । শুক্লধ্বজ চিলাৰায়ৰ প্ৰধান চালিকা শক্তি আছিল তেওঁৰ জ্যেষ্ঠ মহাৰাজ নৰনাৰায়ন ।

দেশৰ ৰাজশক্তি যেতিয়া জ্ঞানী-গুণী জনৰ হাতত সমৰ্পিত হয় দেশত ৰাম ৰাজ্যৰ অস্তিত্ব বিৰাজিত হয় । চিলাৰায় ৰণ কোশলী সেনাপতি, যোগ্য নেতা । ৰাজ্যবিস্তাৰ বাবে কৰিব লগীয়া ৰণ সমূহৰ বাবে চুড়ান্ত সিদ্ধান্ত মহাৰাজ নৰনাৰায়নে দিয়াৰ পাছতহে গ্ৰহণ কৰা হৈছিল । এগৰাকী সফল সেনাধিনায়ক হৈয়ো নিজ ভাতৃ নৰনাৰায়নৰ সিদ্ধান্তৰ ওপৰত অটল বিশ্বাস ৰাখিছিল । আনৰ সু-সিদ্ধান্তক বিশ্বাসত লব পৰা গুনটো পৰম গুণ । সমগুণ সম্পন্ন দুগৰাকী ব্যক্তিৰ যিকোনো এজনেহে উচ্চ আসন লাভ কৰাৰ সুযোগ পাব পাৰে । উচ্চাসন লাভ কৰিব নোৱাৰা ব্যক্তিগৰাকীৰ মানসপটত কিছু বিসংগতি অহাটো স্বাভাৱিক । এনে বিসংগতি আহিব ক্ষমতা লিপ্সা থকা সাধাৰণ ব্যক্তিৰ ক্ষেত্ৰত । বৰ্ত্তমান সময়ত এইক্ষমতা লিপ্সাই সকলোবোৰ উলট পালত কৰাৰ প্ৰৱনতা দেখা গৈছে । এই লোভৰ পৰা নিজক ৰক্ষা কৰিব পৰা ব্যক্তিসকলেই মহান । এয়ে মহান গুণৰ ব্যক্তিসকলেহে জাত-পাত, সৰু-বৰ, উচ্চ-নীচৰ ব্যৱধান নেউচি যোগ্য জনৰ নেতৃত্বক সন্মান জনাব পাৰে । দেৱান চিলাৰায় আছিল সেই মহান গুনৰ আকৰ । নৰনাৰায়ন চিলাৰায়ৰ সিংহাসনৰ প্ৰতি থকা অনিহা ৰামায়ন খ্যাত ভৰতৰ লগতহে তুলনাৰ যোগ্য ।

সূক্ষ ভাৱে বিচাৰ কৰি চালে দেখা যাব - বৰ্ত্তমান সময়ৰ সু-নেতৃত্ব (?) দিব পৰা নেতাৰ সংখ্যা বাঢ়িছে । চিলাৰায়ৰ যি মহান আদৰ্শ সেই আদৰ্শৰ অভাৱ হৈছে । নেতৃত্বৰ প্ৰশ্নত দুপাত মহা অস্ত্ৰ Devid আৰু Rule নিক্ষেপ কৰা হয় । ইংৰাজে দান দি থৈ যোৱা দুপাত অস্ত্ৰ । এই দুপাত ব্ৰহ্মাস্ত্ৰ কোনো দিনে শেষ নহয় । মহামতি চিলাৰায়ৰ অস্ত্ৰৰ অভাৱ হৈছিল, অভাৱ হৈছিল কেতিয়াবা শস্ত্ৰৰ । ৰাজ্যৰ কলেবৰ বৃদ্ধিৰ বাবে আহোম ৰাজ্য আক্ৰমণ কৰিলে চিলাৰায়ে । পিচলানৈৰ পাৰত আহোম আৰু কোচ সৈন্যৰ মাজত তয়াময়া যুদ্ধ হ'ল । অস্ত্ৰ আৰু ৰণুৱাৰ সংখ্যা কমি যোৱা বাবে প্ৰথমে কোচ সৈন্যৰ পৰাজয় হ'ল । দ্বিতীয়বাৰ কৰা যুদ্ধত আহোম সৈন্য তিষ্ঠিব নোৱাৰিলে । বৰাহী, কছাৰি, চুতীয়া সকলৰ কিছু সৈনিকক লগুন পিন্ধাই ব্ৰাহ্মন সজাই কোচৰলগত যুজিবলৈ পঠালে । চিলাৰায় মহাবিপদত পৰিল । ব্ৰাহ্মন বধ, গো-বধক তেওঁ মহাপাপ হিচাবে বিবেচনা কৰে । আচল-নকলৰ পাৰ্থক্য ধৰিব নোৱাৰিলে তেওঁ । শেষত অস্ত্ৰ আৰু শস্ত্ৰ সম্পূৰ্ণ কৰি পুনৰ বাৰ যুজি আহোমক পৰাস্ত কৰিলে । কোচ-কমতাপুৰ ৰাজ্যৰ সীমা পূবে দিকৰাই নদীলৈকে সম্প্ৰসাৰিত হ'ল ।

যোগাযোগ, যাতায়ত ব্যৱস্থাৰ অসুবিধান নেওচিও নিজৰ প্ৰখৰ বিচাৰ বুদ্ধিৰ বলত সকলো বিসংগতি খৰতকীয়া ভাৱে তেওঁ ধৰিব পাৰিছিল । সামাধানো কৰিব পাৰিছিল । বৰ্ত্তমানৰ বিশ্বখন এখন সৰু গাঁৱলৈ ৰূপান্তৰ হ'ল । পৰিবহন ও যোগাযোগৰ আমুলপৰিবৰ্ত্তন হ'ল । ইমান খিনি পৰিবৰ্ত্তনৰ পাছতো ঠাৰৰ কৰিব পৰা নাযায় বৰ্ত্তমানৰ বিসংগতি বোৰৰ উৎপত্তি স্থলৰ বিষয়ে । ৰিজনি হৈছেনে চিলাৰায়ৰ মহানতাৰ লগত বৰ্ত্তমানৰ বাটকতীয়া সকলৰ ? এইটো এটা ডাঙৰ প্ৰশ্ন । এই প্ৰশ্নৰ উত্তৰ সকলোৱে মুখে মুখে । কোনটো উত্তৰ সঠিক সেইটোহে বিচাৰ্য্য । বৰ্ত্তমান পৰিস্থিতিত অভাৱ হৈছে একতাৰ । অভাৱ হৈছে যোগ্য সাংগঠকৰ । সাংগঠক আছে - অভাৱ হৈছে সাংগঠনিক ক্ষমতাৰ । অবৈধ ভাৱে শিশুৰ হাতৰ বলটো কাঢ়িলোৱাও অ-নৈতিক । দেশৰ বিধি ব্যৱস্থাই নক'লে বিধি প্ৰনেতা সকলৰ বুদ্ধিও কুটবুদ্ধিত পৰিনত হয় । তেনে হলে কুটনীতি কি ? নৈতিকতা কি ? ইয়াৰ সঠিক উত্তৰ হ'ব বিশ্ববন্দিত মহাপুৰুষ সকলৰ আদৰ্শ সমূহ । স্বদেশ স্বজাতিৰ বাবে কৰা কাৰ্য্য সমূহ ।

ৰুচিবোধ থকা কোনো বিষয়ত এগৰাকী ব্যক্তিক যদি কাম কৰাৰ সুবিধা আৰু আশা দেখওৱা হয় তেনেহলে ব্যক্তিজনৰ মনঃস্তত্বৰ ওপৰত সম্ভাৱনীয়তাৰ ক্ষেত্ৰত এটা ছাপ পৰে । এই চাপেই কেতিয়াবা সুযোগ বিলাকৰ সন্ধান দিয়ে । এই সুযোগবোৰ ৰূপায়িত কৰি ছাপ মুক্ত পৰিবেশ এটাৰ সৃষ্টি কৰিব পৰা যায় । এই সুযোগ বোৰৰ সন্ধান কৰা কাৰ্য্যটো এটা সমস্যা সমাধান কৰোতে সমস্যা সৃষ্টি কৰা বিভিন্ন স্তৰ বোৰৰ সৈতে চিনাকী হোৱাৰ দৰে একেই কথা । বৰ্ত্তমান সময়ৰ শ্ৰম বিভাজনে দ্বায়িত্বশীল সকলৰ কাৰ্য্য দক্ষতা বৃদ্ধিৰ লগতে আমনি অনুভৱ কৰাৰ এটা প্ৰৱনতাও আনি দিছে । কাম কৰি লাভ কৰা দক্ষতা, একঘেমামিতাৰ পৰা আমনি পোৱা দুয়োটা দুটা অৱস্থা যদিও তাৰ মুল এটায়ে । এই প্ৰক্ৰীয়া বোৰৰ ওপৰিও এটি অৱনমিত সমঃস্তত্বৰ

পৰনতা সৰ্বদা অনুভুত হোৱা এটি প্ৰবাহ । এইবোৰ হৈছে সাৰ্বজনীন কাৰণ । ইয়াৰ কোনো নতুন বা পুৰণি অনুভুতি বুলি একো নাই । এই অনুভুতি বোৰে প্ৰতিখন সমাজ, প্ৰতিজন ব্যক্তিক বিভিন্ন ধৰণেৰে ক্ৰিয়া কৰে । এই প্ৰক্ৰিয়া বোৰৰ ব্যক্তিক্ৰম হলেই সমাজত অশান্তি আহিব । পূৰ্বৰ ৰাজতন্ত্ৰই হওঁক বা বৰ্ত্তমানৰ গণতন্ত্ৰই হওঁক - সকলোতে এই ধাৰা বিদ্যমান ।

আনুস্থানিক ৰিসৰতাৰ ওপৰিও সামাজিক নিৰক্ষৰতাই সমাজৰ অংগবোৰক অসুস্থ কৰি আহিছে । এই নিৰক্ষৰতা, অসজাগতাৰ সুযোগলৈয়ে সমাজত শ্ৰেণী বিভাজনৰ ৰেখাডাল দীঘল হৈ গৈয়ে আছে । এই বিভাজন বোৰ অধিক সক্ৰিয় হৈছে বৰ্ত্তমানে । বিভাজন যিমানেই বাঢ়িব । সমাজ বহুধা বিভক্ত হোৱাত ই উদ্গানিহে দিব । এই অশান্তি সমাজৰ পৰা এজন বা দুজনে অকলে আতঁৰ কৰিব নোৱাৰে । দুৰ কৰিব পাৰি সামুহীক প্ৰচেষ্টাৰেহে । দুৰ কৰিব পাৰি সমাজৰ, জাতিৰ, ৰাষ্ট্ৰৰ কৰ্ণধাৰ সকলৰ সহানুভুতি তথা বিবেচনাৰেহে । লক্ষ্য সাধনৰ বাবে মনত অনুভুত হোৱা উদ্যম বোৰ জীয়াই থাকিব লাগিব আৰু জীয়াই ৰাখিব লাগিব সুপ্ৰচেষ্টাৰে । হৃদয়ৰ লগত হৃদয়ৰ যোগাযোগৰেহে সহৃদয়তা গঢ়িব পাৰি । মহামতি চিলাৰায়ৰ যোগাযোগ ব্যৱস্থাৰ প্ৰতি সঠিক জ্ঞান আছিল । গোহাই কমল আলি হ'ল চিলাৰায়ৰ যোগাযোগ ব্যৱস্থাৰ দুৰদৰ্শীতাৰ প্ৰতীক । ৰাজধানী কোচবিহাৰৰা পৰা পৰশুৰাম কুণ্ডলৈ নিজ ভাতৃ গোহাই কমলৰ নেতৃত্বৰে বন্ধোৱা এই আজি কেৱল যোগাযোগৰ চিন নাছিল । আছিল ৰাজ্যৰ কলেৱৰ বৃদ্ধি কৰাৰ মাধ্যম, সহৃদয়তাৰ মাধ্যম, নেতৃত্ব প্ৰদান কৰি যোগ্যজনক উৎসাহিত কৰাৰ প্ৰতীক । খাৰুপেটীয়া ব্ৰহ্মপুত্ৰৰ ধাৰা যোগাযোগৰ সুচলৰ বাবেই হাতিমুৰা পৰ্বতৰ কাষেৰে খান্দি পোনাই দিয়া হৈছিল । কালাপাহাৰে ধ্বংস কৰা কামাখ্যা দেৱীৰ মন্দিৰ পুনৰ নিৰ্মাণৰ কাম চিলাৰায়ৰ তত্ত্বাবধানতে কৰা হৈছিল । চিলাৰায়ৰ পিতৃ বিশ্বসিংহই নিমাৰ্ণ কৰাইছিল এই কামাখ্যা দেৱীৰ মন্দিৰ । পুজাৰি সকলৰ মন্দিৰ দৰ্শন কৰিবলৈ অহা দৰ্শনাথী সকলৰ সুবিধাৰ বাবে মন্দিৰৰ কাষতে ব্ৰাহ্মন, দৈবজ্ঞ, তেলী, মালি, বাঢ়ৈ, তাঁতী, কহাৰ আদি বৃত্তিৰ লোক সকলক স্থাপন কৰাইছিল চিলাৰায়ে ।

নিজক জনা, নিজক বুজিবলৈ চেষ্টা কৰাটো এখন যোগ্য ব্যক্তিৰ প্ৰধান গুণ । আনৰ দুষ ধৰা পেলোৱাতকৈ আনৰ গুনবোৰ উৎঘাটন কৰাটোহে প্ৰকৃত সংগঠকৰ কৃত্বিত্ব । নিজৰ অজ্ঞানতা দূৰ কৰা মানে নিজক জানিবলৈ কৰা প্ৰচেষ্টাৰে এটি অংশ । নিজৰ সক্ষমতাখিনিৰ ভাগ অন্যলোকক ভগাই দিয়া, নিজৰ অক্ষমতা আৰু অজ্ঞতা খিনি আনৰ অৰ্জ্জিত অভিজ্ঞতা গ্ৰহণ কৰি দূৰ কৰাটো এজন বিবেচক ব্যক্তিৰ কাম । মহামতি চিলাৰায়ৰ ক্ষেত্ৰত উক্ত বিবেচনা বিচাৰ বুদ্ধি আৰু নিজক জনা-বুজাৰ বাবে কৰা চেষ্টাৰ প্ৰয়োগ পোৱা যায় । শিৰোমনি ভূঞাৰ বংশটো জ্ঞান আৰু বীৰ্য্যত প্ৰখৰ আছিল । চিলাৰায়ে এই কথা বুজিছিল । সেয়ে বিদুষী মহিলা ভুৱনেশ্বৰীক চিলাৰায়ে বিয়া কৰাই । ভুৱনেশ্বৰী শ্ৰীমন্ত শংকৰ দেৱৰ ভাতৃ ৰামাৰায়ৰ কন্যা । উদ্দেশ্য এটাই ভূঞা সকলৰ বুদ্ধিক দেশৰ কল্যাণৰ বাবে প্ৰয়োগ কৰা । মহাৰাজ নৰনাৰায়নে শ্ৰীমন্ত শংকৰদেৱক পাটবাউসী অঞ্চলৰ বাবে গোমস্তা নিযুক্তি দিছিল । ইয়াৰ উদ্দেশ্যও আছিল এটাই । পিছৰ কালত শ্ৰীমন্ত শংকৰদেৱ ৰজাৰ অত্যাচাৰত বৰ্ত্তীব নোৱাৰি নৰনাৰায়নৰ ৰাজ্যলৈ পলাই গৈছিল । আশ্ৰয় দিছিল চিলাৰায়ে । নৰনাৰায়ন ৰজাৰ ৰোষত পৰিব লগা হৈছিল শ্ৰীমন্ত শংকৰদেৱ । এনে বিপদত সহায় কৰিছিল কেৱল চিলাৰায়হে । তেওঁ নিজে গুনীবাবেই গুণীৰ আদৰ কৰিছিল । বিপদৰ কালত সহায় কেৱল মহাপুৰুষ সকলেহে কৰিব পাৰে ।

- বৰ্ত্তমান চিলাৰায় নাই । কোচ-কমতাপুৰ ৰাজ্যৰ স্থিতি নাই । কমতাপুৰ ৰাজ্য ৰাজনীতিৰ বলত অসম- পশ্চিমবংগ, বিহাৰৰ মাজত ভাগ হ'ল । বুদ্ধিজীৱি সকলৰ প্ৰচেষ্টাত কোচ সকল বহুধা বিভক্ত হৈ পৰিল । তেখেত সকলৰ আৰ্থসামাজিক, শৈক্ষিক উন্নয়ন, সংৰক্ষন আৰু বিকাশৰ পথ চিৰ অৱৰুদ্ধ হৈ পৰিল । বৰ্ত্তমান সন্মুখত অস্তিত্বৰ প্ৰশ্ন । ১৯৪৯ চনৰ ৩০ আগষ্টত কোচবিহাৰ ৰাজ্যক ভাৰতৰ লগত চামিল কৰা হ'ল । চামিল কৰণৰ চুক্তি সম্পাদিত হ'ল তেতিয়াৰ মহাৰাজ চাৰ জগদ্দীপেন্দ্ৰ নাৰায়ন ভুপবাহাদুৰ আৰু ভাৰত চৰকাৰৰ লগত । চুক্তিত কোচবিহাৰ ৰাজ্যক "C" category ৰ ৰাজ্য হিচাপে স্থান দিলে । বহু আশ্বাস দিয়া হ'ল । বাস্তৱ ক্ষেত্ৰত সকলো অসাৰ হ'ল । কোচ সকলৰ ঐতিহাসিক ৰাজধানী ৰক্ষাৰ বাবে কলিকতা উচ্চ ন্যায়ালয়ৰ ওচৰ চাপিব লগা হ'ল । ন্যায়ালয়েও ৰায় দিলে । এই সকলোবোৰ মৃত্যু যান্ত্ৰনাৰ অভিজ্ঞতা প্ৰতিজনৰে জ্ঞাত । নিজ জাতিৰ প্ৰতি মৰম থকা প্ৰতিজন অসমীয়াই অনুভৱ কৰিবলৈ লৈছে । সকলোবোৰ ফহিয়াই চাবলৈ আৰম্ভ কৰিছে । সকলোৰে অস্তিত্ব বিলীন কৰি এটি সুগঠিত সুঠাম অস্তিত্বৰ কথা চিন্তা কৰা হৈছিল । বাস্তৱত কিন্তু সকলো অস্তিত্বই নিঃশেষ প্ৰায় । নহৰুৰ এটি এটি ফুটা লগলাগিহে নহৰুটোৰ অস্তিত্ব । ফুটাবোৰ এৰুৱাই গলেও কোনোটো ফুটাৰ সৌন্দৰ্য্য হানি নহয় । বৰ অসম ভাঙি গ'ল । সাতখন আঠখন হ'ল । যিখন অসম বৰ্ত্তি আছিল তাৰো আহিছে মহা সংকট । কাৰ্বি সকলে বিচাৰিছে, মিছিং সকলে বিচাৰিছে, বড়ো সকলে বিচাৰিছে, চুতীয়া সকলে বিচাৰিছে, মৰাণ সকলে বিচাৰিছে, বিচাৰিছে কোচ সকলে । ভৱিষ্যতে বাকী সকলেওঁ বিছাৰিব । যি মহান অস্তিত্বৰ বাবে নিজা অস্তিত্ব পৰিহাৰ কৰা হৈছিল, সেইবোৰ স্বাধীনতাৰ পিছৰ পৰা ভৰিৰে মুহাৰি পেলোৱা হ'ল । সকলোবোৰৰ বাবে স্থায়ী সেই ৰাজনীতি কৰা সকল - যাৰ কৰ্মৰ ফল সকলো জাতি জনগোষ্ঠীয়ে ভোগ কৰিব লগা হৈছে ।

প্ৰকৃতিৰ লগত প্ৰতিজন মানুহৰ আত্মাৰ সম্পৰ্ক আছে । আত্মাই প্ৰকৃতিয়ে দিয়া শিক্ষাহে গ্ৰহণ কৰে । প্ৰকৃতিৰ শিক্ষা হ'ল সকলোৰে বাবে শান্তি, সকলোৰে বাবে সম-অধিকাৰ, সম-সুবিধা আৰু সম সুৰক্ষা । শুক্লধ্বজ চিলাৰায়ৰ আদৰ্শ আছিল একেই । সন্ধিক্ষনত উপস্থিত হৈছে জাতীয় অভিমান । সীমাৰ সিপাৰে থকা সকলৰ কুটনীতিৰ ধাৰ বৃদ্ধি হৈছে । ৰাজশক্তিৰ ইমানবোৰ কথা শুনাৰ, বিচাৰ কৰি চোৱাৰ, সম্ভাৱ দেখুওৱাৰ অৱকাশ নাই । সকলো ব্যস্ত দেশসেৱাত (?) । এটুপ এটুপ পানী লগ হৈহে সাগৰ-মহাসাগৰৰ সৃষ্টি হ'ল । ফুলনী খনত বিভিন্ন ধৰণৰ গছ লগ হৈহে সুভাস বিলাই । সেয়ে ফুলনীৰ প্ৰতিজোপা গছকে সমানে সাৰপানী দিব লাগিব । নহ'লে ফুলনীৰ সৌন্দৰ্য্যই বা ক'ত ? চিলাৰায়ৰ মহান আদৰ্শ ৰাখি ৰক্ষিত হওঁক । ৰক্ষিত হওঁক তেওঁৰ মহান ত্যাগৰ চিন । ৰক্ষিত হওঁক প্ৰতিজন অসমীয়াৰ অধিকাৰ । ৰক্ষিত হওঁক কোচ সকলৰ জাতীয় অভিমান । ৰক্ষিত হওঁক কোচ-কমতাপুৰ ৰাজ্যৰ অস্তিত্ব । এয়ে আমাৰ কামনা ।

*****

OKDISCD

# চিলাৰায় আৰু শঙ্কৰদেৱৰ প্ৰসঙ্গ

গোপীনাথ কাকতি

৭

বিশ্ব মহাবীৰ চিলাৰায় আছিল কোচ-নৃপতি মহাৰাজ নৰনাৰায়নৰ ৰাজভ্ৰাতা, কোচৰাজ্যৰ যুৱৰাজ, মূখ্য সেনাধ্যক্ষ আৰু ৰাজ্য শাসনৰো মন্ত্ৰ না দাতা প্ৰধান মন্ত্ৰী স্বৰূপ । যুদ্ধত, সৈন্য পৰিচালনাত, পৰাক্ৰমত, ৰণ কৌশলত, বাহু-বলত, জ্ঞান-ভক্তি-প্ৰজ্ঞাত সেই কালৰ ক্ষত্ৰিয় ৰজা আৰু ৰাজন্যবৰ্গৰ মাজত চিলাৰায় দেৱান অদ্বিতীয় আছিল । চিলাৰায়ক তেওঁৰ পিতৃ ৰজা বিশ্বসিংহই দিয়া মৰমৰ নাম আছিল "নুনু" বা "লুলু" । কোচ-নৃপতি তথা জ্যেষ্ঠ ভাতৃ মহাৰাজ নৰনাৰায়নেও সৰুৰে পৰা তেওঁৰ সমগ্ৰ জীৱন কালত চিলাৰায়ক সেই মৰমসনা মধুৰ নাম "লুলু" বুলিয়েই মাতিছিল । পৰৱৰ্ত্তী জীৱনত গুণ আৰু কৰ্ম্ম অনুৰূপে "নুনু"- চিলাৰায়, দেৱান, শুক্লধ্বজ আদি নামেৰে প্ৰখ্যাত হৈ উঠে । আনহাতে কোচানৰ জনতাৰ মাজত চিলাৰায় আছিল "চোটৰাজা" ।

'নুনু' বা 'লুলু'ৰ চিলাৰায় নামাকৰণৰ বিষয়ে চক্ৰপানি বৈৰাগীৰ সংগৃহীত 'কথা- গুৰুচৰিত'ত এনেকৈ বৰ্ণনা লিখা আছে ।

"পাছে ৰামখাৰ বেটা গাভৰুখা প্ৰতাপ ৰাই ৰজত সুবণ, বস্ত্ৰ ভাণ্ডাৰ, ভাঙি, চেৰেঙ্গা ভৰি সোমদৈ নৈয়ে একে নিশাই তোৰোচাত পাৰ-বেহাৰত ৰ'লহি । পাছে ধন, বস্তু, গাভৰুখাৰ ভনীয়েকক দি নৰনাৰায়নক মিত্ৰ কৈ'লে । তেহে নাৰায়নে চোৰাই চিতাই গাভৰু খা লুলুৰ হাতে অঁচম মৰে । ৰাঙ্গলী গড় পূৰ্ব্বে বিশ্বসিংহে বান্ধি সীমাৰ পৰা হোহোকাই চামধৰালৈ খেদি যুদ্ধে পথালে সেনা, ৰথ, দি । যুদ্ধ লাগি অচম ভাঙ্গি খেদি উজাই আনিলে । চিঙ্গফু সিংহৰ পুত্ৰ খোৰা ৰজা সলখৰ পোৰা নগৰত লাকৈ মেৰাগৰ বন্ধাই যুদ্ধ দিলে । ডেবেৰা বৰুৱা কেকোৰা পাত্ৰ । চোটৰাজা তেহে চিলাৰায় নাম হ'ল ॥" - কথা গুৰু চৰিত ।

অসম বুৰঞ্জীৰ মতেও সেনাপতি শুক্লধ্বজে অসমী পৰাক্ৰমেৰে কোচ-সৈন্য বাহিনী পৰিচালনা কৰি চিলাৰ দৰে কোচ ৰাজ্যৰ প্ৰতিবেঁশী ৰাজ্য, খৈৰাম, মনিপুৰ ৰাজ্য, ডিমৰীয়া ৰাজ্য, শ্ৰীহট্ট ৰাজ্য আৰু ত্ৰিপুৰা ৰাজ্য - ইখনৰ পিছত সিখনকৈ আক্ৰমণ কৰি, উক্ত ৰাজ্যসমূহ পৰাভূত কৰি বিজয়ী বীৰ হিচাবে খ্যাতি লাভ কৰাৰ কাৰণে তেওঁৰ নাম হৈছিল চিলাৰায় ।

'নুনু'ৰ শুক্লধ্বজ নাম হোৱাৰ কাৰণ আছিল । এসময়ত চোটৰাজা চিলাৰায়ৰ গাত শনি লাগিলত ভেশছন কৰি আহোম ৰাজ্যত ঘুৰি ফুৰাৰ পাছত শনিয়ে এৰা দিয়াত যুৱৰাজ চিলাৰায় দিজ ৰাজ্য বেহাৰলৈ ঘুৰি আহিল । চিলাৰায়ে ভেশছন কৰি ঘুৰি ফুৰোতেই শুকুলা হাতী 'মানিক ধাই'ক দেখি আহিল, আহি সেই শুকুলা হাতীৰ কথা বেহাৰৰ মহাৰাজ নৰনাৰায়নক জনালে । নাৰায়নেও যুদ্ধ কৰি হলেও উক্ত শুকুলা হাতী লাভ কৰিবলৈ প্ৰস্তুত হ'ল । 'কথা-গুৰুচৰিত'ত এই যুদ্ধৰ বৰ্ণনা এনেকৈ আছে ঃ-

"আৰু বেশছনকৈ অচম ৰাজ্য ফুৰি শনি চাৰিলত গ'ল বেহাৰে । দেখি গ'ল শুকুলা হস্তী মানিক ধাইক তেহে অনেক মানুহ, চিপাহী চাকৰ, লস্কৰ লৈ উত্তৰে নৰনাৰায়ন, দক্ষিনে চিলাৰাই, বিৰাম কাজি অনেক সৈন্য লৈ যুদ্ধ ধৈলেহি । কেকোৰা



ৰাজা, লাহন বৰবৰুৱা, মাদুৰিয়াল ৰাজমন্ত্ৰী, বৰগোহাঁই, ভেবা বৰফুকন, এই সৱে আলচি দলৰ গাঞঁত এক যুদ্ধ দিলে' । অনেক কেৰিশেৰি গৰ বান্ধি সাদিন সাত নিশা যুজিলে অনেক লোক ক্ষয়ঙ্কাৰ হ'ল । নৃপতি ৰাজা প্ৰজা ন্নিশাই সব এৰি পলাল । হস্তী ধাইক পালে । মানিক লৈ গ'ল । পাছে পাছে খেদিলে । ৰাজা পাট এৰি চৰাই খোৱোঙ্গ পৰ্ব্বত সোমালগৈ । চিলাৰাই ৰাজী হস্তী ধাই লৈ নৰনাৰায়নক দিছেহি । শুক্লা হাতী আনিলে দেখি শুক্লধ্বজ নাম দি ভটিয়াল আপুন দেশে ।" - কথা-গুৰু চৰিত ।

সেই কালত ভাটিৰ অসমৰ কামৰূপত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰি থকা একশৰণ ভাগৱতী ধৰ্ম্ম তথা নামধৰ্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ লগতে দৈৱক্ৰমে কোচৰাজ্যৰ যুৱৰাজ ৰাজভাতৃ চিলাৰায় দেৱানৰ মধুৰ সম্বন্ধ গঢ়ি উঠিছিল । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত মহাবীৰ চিলাৰাই দেৱানৰ প্ৰথম পৰ্য্যায়ত বৈবাহিক সূত্ৰে শহুৰ- জোঁৱাইৰ সম্বন্ধ ঘটে আৰু পিছলৈ সময়ৰ প্ৰৱাহত এই সম্বন্ধ গুৰু-শিষ্যৰ ৰূপান্তৰিত হয় ।

গুৰুজন উজনিৰ ধুৱাঁহাট বেলগুৰিত থকাৰ কালত শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত যুৱ-পণ্ডিত শ্ৰীমাধৱদেৱৰ মিলন হয় । শ্ৰীমাধৱদেৱে বেলগুৰিত এক ঐতিহাসিক ধৰ্ম্মীয় বিতৰ্কত পৰাজিত হৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ ওচৰত বেলগুৰিত শৰণ লয় আৰু গুৰুজনাৰ ভক্তি ধৰ্ম্ম তথা একশৰণ ভাগৱতী ধৰ্ম্ম প্ৰচাৰ আন্দোলনত সক্ৰীয় ভাৱে জড়িত হৈ পৰে । বেলগুৰি অঞ্চলত ভক্তি-ধৰ্ম্ম প্ৰচাৰ কৰি থকা কালছোৱাত উজনিৰ আহোম ৰাজশক্তিৰ পৰা কঠোৰ নিগ্ৰহ পাই শ্ৰীমন্ত শঙ্কৰদেৱৰ মন টেঙাই গ'ল ।

সেই সময়ত পশ্চিমৰ কামৰূপ অঞ্চলৰ বেহাৰত কোচ ৰাজ্যৰ নৰপতি মহাৰাজ নৰনাৰায়নে ৰাজ্য শাসন কৰি আছিল । চিলাৰায় দেৱানৰ জ্যেষ্ঠ ভাতৃ মহাৰাজ নৰনাৰায়ন এগৰাকী বিদ্বান, শাস্ত্ৰজ্ঞ, ধাৰ্ম্মিক, ন্যায়-পৰায়ন, পণ্ডিত আৰু প্ৰজা ৰঞ্জক মৰমীয়াল ৰজা আছিল । উজনিৰ আহোম ৰাজ্যৰ প্ৰজাসকলৰ মাজতো কোচ-নৃপতি মহাৰাজ নৰনাৰায়নৰ যশ-খ্যাতিৰ কথা লোকমুখে বিয়পি পৰিছিল । এগৰাকী পৰিৱ্ৰাজক সন্ন্যাসীৰ মুখে শ্ৰীমন্ত শঙ্কৰদেৱে বেলগুৰি থানতে কোচবিহাৰৰ মহাৰাজ নৰনাৰায়নৰ সজ গুণ সমূহৰ কথা বিশেষ ভাৱে শুনিবলৈ পাইছিল । সেয়েই, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বেলগুৰি থান ত্যাগ কৰি পশ্চিমাঞ্চলৰ মহাৰাজ নৰনাৰায়নৰ ৰাজ্যলৈ যোৱাৰ বাবে চিন্তা-চৰ্চ্চা কৰিবলৈ ধৰিলে ঃ-

"নৰনাৰায়ন নামে আছে এক ৰাজা ।
পৰম পণ্ডিত দৰ্ম্ম পন্থে পালে প্ৰজা ॥
শুক্লধ্বজ নামে তাৰ ভাই শোভনয় ।
ধুৱাঁহাটা হন্তে শুনে লোক সমস্তয় ॥
গীত কবিতা গুণ শুনয় ৰাজাৰ ।
তাৰে ৰাজ্যে মাইবে মন সমস্তে প্ৰজাৰ ॥"-
- গুৰু চৰিত । দৈত্যাৰি ঠাকুৰ ।

......... আহোম ৰাজশক্তিৰ নিগ্ৰহত পৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ মৰমৰ জোঁৱাই হৰি কায়স্থৰ বিনাদোষতে ৰজাৰ ঘাটকৰ হাতত শিৰচ্ছেদন হ'ল আৰু গুৰুজনাৰ প্ৰিয়তম্ শিষ্য শ্ৰীমাধৱদেৱৰ কোনোমতেহে প্ৰাণ ৰক্ষা পৰাত গুৰুজনাই মৰ্ম্মান্তিক আঘাট পালে । শ্ৰীমন্ত শঙ্কৰদেৱে কাল বিলম্ব নকৰি লগে লগেই নাৱেৰে ব্ৰহ্মপুত্ৰইদি ভটিয়াই কামৰূপ ৰাজ্যলৈ গুচি গ'ল আৰু ভাটিৰ কোচ ৰাজ্যৰ ভিতৰুৱা চূনপৰা ভিঠাত নাও বান্ধি থৈ গুৰুজনে পাটবাসী পৰগনাত উঠিল । পাট বাউসীতে শ্ৰীমন্ত শঙ্কৰদেৱে থান পাতি বসবাস কৰি থাকি ভাটি অঞ্চলত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে ।

কোচ ৰজা মল্লদেৱ তথা মহাৰাজ নৰনাৰায়ন আৰু তেওঁৰ ভাতৃ যুৱৰাজ চিলাৰায় দুয়োজনেই আছিল বিদ্বান পণ্ডিত । তেওঁলোকৰ পিতৃ ৰজা বিশ্বসিংহৰ তত্বাৱধানত নৰনাৰায়ন তথা মল্লদেৱ

আৰু চিলাৰায় তথা নুনুয়ে কাশীৰ সংস্কৃত টোলৰ গুৰুৰ ওচৰত অধ্যয়ন আৰু শিক্ষালাভ কৰিছিল আৰু দুয়োজনেই হিন্দু সনাতন ধৰ্ম্মৰ সকলো শাস্ত্রত পাৰ্গত হৈ উঠিছিল । বিশ্বসিংহৰ মৃত্যুৰ পাছত ইং ১৫৪০ চনত মল্লদেৱে নৰনাৰায়ন নাম লৈ পিতৃৰ ৰাজ সিংহাসনত আৰোহন কৰে । ৰাজ্য শাসনৰ কামত ব্ৰতী হলেও মহাৰাজ নৰনাৰায়নৰ পাণ্ডিত্য আৰু সুকুমাৰ গুণ সমূহে সকলোকে মোহিত কৰিছিল । মহাৰাজ নৰনাৰায়নে হিন্দু ধৰ্ম্মৰ শাস্ত্র সমূহ অসমীয়া ভাষালৈ সহজ সৰল আৰু সকলোৱে বুজিব পৰাকৈ পদ-ছন্দত অনুবাদ কৰিবলৈ ৰাজসভাৰ পণ্ডিত সকলক উৎসাহ আৰু পৃষ্ঠপোষকতা কৰিছিল ।

মহাৰাজ নৰনাৰায়নৰ ৰাজ্যত আশ্ৰয় লোৱা শ্ৰীমন্ত শঙ্কৰদেৱৰ সামাজিক আৰু সাংস্কৃতিক কৰ্ম প্ৰৱাহৰ মাজেৰেই স্বাভাৱিকভাৱে মহাৰাজ নৰনাৰায়ন আৰু যুৱৰাজ চিলাৰায়ৰ লগত সম্পৰ্কই গঢ় লৈ উঠিছিল । সেই সমূহ কৰ্মৰ প্ৰৱাহ আছিল সুখ আৰু দুখৰ এক মিশ্রিত অধ্যায় । কিন্তু ঘযনা প্ৰৱাহৰ চুড়ান্ত অৱস্থাত উক্ত ৰূপ সুখ-দুখৰ মিশ্ৰনে এক মধুৰ সম্পৰ্কত উপনীত হৈছিল - চিলাৰায় শঙ্কৰদেৱ নৰনাৰায়নৰ সম্বন্ধই ।

শ্ৰীমন্ত শঙ্কৰদেৱৰ ভায়েক জগতানন্দ বা ৰাম ৰায়ৰ ৰূপৱতী কন্যা কমলাপ্রিয়া তথা ভূৱনেশ্বৰীক কোচৰাজ্যৰ ৰাজভাতৃ শঙ্কৰদেৱৰ লগত চিলাৰায়ৰ কুটুম্বিতা গঢ়ি উঠে । শ্ৰীমন্ত শঙ্কৰদেৱৰ খুড়ায়েক জয়ন্তৰ পুত্ৰ আছিল জগতানন্দ বা ৰাম ৰায় । বংশাৱলী সম্বন্ধত ৰাম ৰায় আছিল শঙ্কৰদেৱৰ ভায়েক । এই ৰামৰায়ৰে দীপলীপ্ সুন্দৰী কন্যা কমলাপ্ৰিয়া বা ভূৱনেশ্বৰী ।

গুৰুচৰিত সমূহত চিলাৰায় আৰু ভূৱনেশ্বৰীৰ বিবাহৰ বৰ্ণনাৰ কথা সামান্য অমিল পোৱা যায় । সেই অমিল চিলাৰায় ভূৱনেশ্বৰীৰ বিবাহ হোৱা সম্পৰ্কে নহয়, বিবাহখন কিদৰে হ'ল - সেই বিষয়েহে । চক্ৰপানী বৈৰাগীৰ সংগৃহীত 'কথা গুৰিত'ত চিলাৰায় ও কমলাপ্রিয়া বা ভূৱনেশ্বৰীৰ বিবাহৰ বৰ্ণনা কেনেকৈ দিছে ঃ

"একদিনা চোট দেৱানৰ শ্ৰীদান লিগিৰা আহি ৰাম ৰাই

আতাৰ দুহিত্ৰী কমলাপ্রিয়া আপীক দেখে দিব্য ৰূপ

ত্ৰৈলোক্য মোহিনী । চুলি মেলাইছে, দুকাচি তৰাত তিনিপাক দি পাৰিছে । পাছে সি গৈএ চিলাৰাইত

কলে ৰূপ, গুণ, চুলি লক্ষনৰ কথা । শুনি ৰাজা ধৰাই নি মুখ্য পটেশ্বৰী পাতিলে নি । বিবাহ পাতি ৰাই আতাক নিবলৈ পাচিলে, নেযায় । তেহে মহাপুৰুষ গুৰু বোলে সি নিলে কি কৰিবা, দিয়া গৈ শুদ্ধ কৈ । পাছে গৈ দিলে । তিনিখন গাঁও দি কুঠি কৰি দিয়ালে ।"

চোটৰাজা চিলাৰায় দেৱানে তেওঁৰ শহুৰেক ৰামৰায়ক সুখে-সন্তোষে খাই থাকিবলৈ কুঠি কৰি দিয়া তিনিখন গাঁৱৰ পৰগনাৰ পাছলৈ নাম হ'ল "ৰাম ৰায় কুঠি" । গোৱালপাৰা জিলাৰ ভাটি অঞ্চলত এই "ৰাম ৰায় কুঠি" আজিও বিদ্যমান ।

চিলাৰায় ভূৱনেশ্বৰীৰ বিবাহ সম্পৰ্কে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা লিখিত "শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ" গ্ৰন্থত কেনেকৈ বৰ্ণনা দিছে ঃ-

"শঙ্কৰদেৱৰ ভায়েক ৰামৰায়ৰ এটি অতি বিতোপন কন্যা

আছিল, নাম ভূৱনেশ্বৰী । এদিন ভূৱনেশ্বৰীয়েগা ধোওঁতে

নৰনাৰায়নৰ ভায়েক চিলাৰায় দেৱানে তেওঁক দেখি মোহ গৈ সেই কন্যাক বিবাহ কৰিবৰ ইচ্ছা কৰি, তেওঁ কাৰ জীয়েক, সেইটো ভুলৈ, কন্যাক লৈ যাবলৈ ৰামৰায়ৰ ওচৰলৈ দূত পঠালে । ৰাম ৰায় লৰি আহি শঙ্কৰদেৱৰ এই বিপদৰ কথা জনাই, কি কৰিম বুলি শুধিলত শঙ্কৰদেৱে ভালেখিনি পৰ ভাৱি



ভায়েকক কলে, 'বোপা, আৰু খেদ্ কৰিলে কি হব; পূৰ্ব্বৰ লিখিত অৱশ্যে হবই; ছোৱালী নিদিলে দেৱানে বলেৰে ধৰাই লৈ যাব, আৰু আমাক নানা লটিঘটি কৰিব । এতেকে ছোৱালী দিম বুলি সন্মতি জনাই দেৱানেৰে সৈতে মিত্ৰতা কৰাই ভাল ।'- ককায়েকৰ এই পৰামৰ্শ শুনি ৰামৰায়ে দেৱানলৈ ছোৱালিটি দিম বুলি কৈ পঠিয়াই, লৈ গৈ বিয়া দি আহিল । শুক্লধ্বজে ৰীতিমতে ভূৱনেশ্বৰীক বিবাহ কৰাই শহুৰেকক নানা দ্ৰব্য বস্তু দি সন্তোষ কৰি পঠিয়ালে আৰু শঙ্কৰদেৱৰ প্রতিও বৰ সন্তুষ্ট হ'ল ।"

কোৱা বাহুল্য যে, নৱবিবাহিত পত্নী ভূৱনেশ্বৰীৰ লগত বৰদেউতাক শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত ভক্তি ধৰ্ম্ম কলা- সংস্কৃতিয়েও চোটৰাজা চিলাৰায় দেৱানৰ ৰাজহাউলীত প্ৰবেশ কৰে । কোচৰজা মহাৰাজ নৰনাৰায়নে তেওঁৰ ভাতৃ চিলাৰায় দেৱান সহ বেহাৰৰ পৰা উজাই আহি কিছুকাল বৰনগৰত শিবিৰ পাতি থকা সময়তে উক্ত ৰূপে চিলাৰায় ভূৱনেশ্বৰীৰ বিবাহ হৈ যায় ।

বিবাহৰ কিছুকালৰ পাছৰ কথা । চোটৰাজা শুক্লধ্বজৰ তামুলী চ'ৰাত ৰাজহাউলীৰ অন্যান্য ৰাণী সকলে এদিন মূখ্য ৰাণী ভূৱনেশ্বৰীক মাজত বহুৱাই লৈ ভূৱনেশ্বৰীৰ হতুৱাই শঙ্কৰদেৱৰ ৰচিত শাৰঙ্গ ৰাগৰ বড়গীত এটা গোৱাইছিল । পাটৰাণী সকলৰ অনুৰোধত মুখ্য ৰাণী ভূৱনেশ্বৰীয়ে পৰম ভক্তি ভাৱেৰে মন প্ৰাণ ঢালি দি শুদ্ধ শাৰঙ্গ ৰাগত নিম্নোক্ত বড়গীতটি গাবলৈ ধৰিলে ঃ-

"পামৰু মন ৰাম চৰণে চিত্ত দেহু ।
অথিৰ জীৱন বান্ধ মাধৱকেৰি নাম
কাৰণ সমল লেহু ।"- ইত্যাদি ।

ভূৱনেশ্বৰীয়ে অতিসুললিত কোকিল কণ্ঠেৰে উক্ত বৰগীত গাই থকা অৱস্থাতে চোটৰাজা চিলাৰায় আহি তামুলী চ'ৰা পোৱাত, তাৰ পৰা পাটৰাণী সকল উঠি গ'ল । বড়গীতৰ সুৰ আৰু তাৰ অন্তৰ্নিহিত অৰ্থ শুনি শুক্লধ্বজ মোহিত হ'ল । 'বড়গীত কাৰ ৰচনা' বুলি শুক্লধ্বজে ভূৱনেশ্বৰীক সোধাত - ভূৱনেশ্বৰীয়ে উক্ত বৰগীত তেওঁৰ বৰআতাক শঙ্কৰদেৱৰ ৰচিত বুলি জনালে । বড়গীতৰ অন্তৰ্নিহিত অৰ্থত মহাপণ্ডিত চিলাৰায়ৰ মন মজি গ'ল । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুক কাতৰ প্ৰাৰ্থনা জনাই - বৰনগৰলৈ নিয়াই শুক্লধ্বজে ব্ৰত উপবাসে কায়-ক্লেশ কৰি থাকি, মহাপুৰুষ গুৰুজনাৰ ওচৰত শৰণ গ্ৰহণ কৰিলে । শুক্লধ্বজ এনেদৰে মহাপুৰুষ গুৰু শঙ্কৰদেৱৰ একান্ত ভকতৰ তালিকাভূক্ত হ'ল । পৰৱৰ্ত্তী কালত শ্ৰীমাধৱদেৱৰ দৰেই চিলাৰায় দেৱানেও গভীৰ গুৰু ভক্তিৰ নিদৰ্শন দেখুৱাই থৈ গৈছে । সেয়েই পৰৱৰ্ত্তী কালত মহাপুৰুষীয়া ভক্ত শুক্লধ্বজ অতি আদৰৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ হৈ পৰে ।

কোচ ৰাজ্যত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰি থকা অৱস্থাতে এসময়ত শঙ্কৰদেৱ মহাৰাজ নৰনাৰায়নৰ ৰাজসভাৰ ব্ৰাহ্মন পণ্ডিত সকলৰ খল- লগোৱা কথাত ৰজাৰ ৰোষত পৰি বিপদগ্ৰস্ত হৈ পৰে । শঙ্কৰদেৱে মহাৰাজৰ ৰাজ্যত তথাকথিত অনেক অধৰ্ম আৰু ভ্ৰষ্টাচাৰ ব্যভিচাৰ অনাচাৰৰ সৃষ্টি কৰিছে বুলি আৰু ফলত ৰজাৰ আৰু ৰাজ্যৰ ঘোৰ অনিষ্ট সাধন হব বুলি ব্ৰাহ্মন পণ্ডিত সকলে মহাৰাজ নৰনাৰায়ৰ ওচৰত মহাপুৰুষ গুৰুজনাৰ বিৰুদ্ধে প্ৰৰোচনামূলকভাৱে মিছা অভিযোগ উত্থাপন কৰে । ব্ৰাহ্মন পণ্ডিত সকলৰ প্ৰৰোচনা মূলক কথাত পতিয়ন গৈ মহাৰাজ নৰনাৰায়ন খঙত উগ্ৰমূৰ্ত্তি ধৰিলে । তেওঁৰ ৰাজ্যত ব্যভিচাৰ ভ্ৰষ্টাচাৰ চলোৱা বাবে শঙ্কৰদেৱক মৃত্যু দণ্ড দিব বুলি নৰনাৰায়নে ঘোষণা কৰিলে আৰু শঙ্কৰদেৱক ধৰি নিবৰ কাৰণে নৰনাৰায়নে গড়মলিক পঠালে ।

চোটৰাজা চিলাৰায় দেৱানে মহাৰাজ নৰনাৰায়নৰ এই ভয়ঙ্কৰ আদেশৰ কথা শুনি আৰু গুৰুজনাৰ প্ৰাণৰ সংকট বুলি জানি যিকোনো প্ৰকাৰে শঙ্কৰদেৱৰ প্ৰাণৰক্ষা কৰিবৰ বাবে প্ৰস্তুত হ'ল ।



OKDISCD

অলপো কাল বিলম্ব নকৰি চিলাৰায়ে অতিশীঘ্ৰে দিনে নিশাই নাৱেৰে গৈ ৰজাৰ গড়মলি পোৱাৰ আগতেই গুৰু শ্ৰীমন্ত শঙ্কৰদেৱক আনি চোটৰাজা চিলাৰায়ৰ ৰাজহাউলী পোৱাকৈ আনি দিবলৈ হুকুম দি আৰু জৰুৰী ভাৱে নৌকা সহ মানুহ পঠিয়ালে । সেইদৰেই চিলাৰায়ৰ মানুহে আগতীয়াকৈ দিনে নিশাই নাৱেৰে গৈ ৰজাৰ গড়মলি পোৱাৰ আগতেই শঙ্কৰদেৱক পাই নাঁৱত তুলি আনি চিলাৰায় দেৱানৰ ৰাজহাউলী পাই । চিলাৰায়ৰ ওচৰত গুৰুজনাক পৌছাই দিলে । চিলাৰায় পৰম সন্তুষ্ট হৈ নাৱৰীয়া লোক সকলক উপযুক্ত মাননী সহ নগদ ধনেৰে পুৰস্কৃত কৰিলে । নাৱৰীয়াক বিদায় দি চিলাৰায়ে গুৰুজন শ্ৰীমন্ত শঙ্কৰদেৱক নিজৰ হাউলীত লুকুৱাই ৰাখিলে । এনেকৈয়ে মহাপুৰুষৰ একান্ত সেৱক চিলৰায়ে তৎকালীন বিষম বিপদৰ পৰা শঙ্কৰদেৱক ৰক্ষা কৰি গুৰুভক্তিৰ শ্ৰেষ্ঠতম নিদৰ্শন দেখুৱালে ।

ইফালে, শেহতীয়াকৈ মহাৰাজ নৰনাৰায়নৰ গড়মলিয়ে গৈ শঙ্কৰদেৱক ঘৰত নাপাই, গুৰুজনৰ দুজন একান্ত ভক্ত- নাৰায়ন ঠাকুৰ আতা আৰু গকুলচান্দ আতৈক পাই ধৰি আনি মহাৰাজ নৰনাৰায়নৰ আগত হাজিৰ কৰিলে । ৰজা নৰনাৰায়নে উক্ত ভকত দুজনক অনেক শাস্তি দিয়াইও তেওঁলোক দুজনৰ পৰা শঙ্কৰদেৱৰ কোনো সন্তেদ উলিয়াব নোৱাৰি তেওঁলোকক অৱশেষত মুক্তি দিলে ।

কিছুদিনৰ পাচত গোপন সূত্ৰে মহাৰাজ নৰনাৰায়নে জানিব পাৰিলে তেওঁৰ ভায়েক চিলাৰায় তথা নুনুৰ ঘৰতে শঙ্কৰদেৱে গোপনে আশ্ৰয় লৈ আছে । ৰজা নৰনাৰায়নে শ্ৰীমন্ত শঙ্কৰদেৱক ৰাজসভালৈ বিচাৰৰ বাবে পঠাই দিবলৈ অৰ্থে চিলাৰায় দেৱানলৈ খবৰ প্ৰেৰণ কৰিলে । চিলাৰায়ে প্ৰমোদ গনিলে; ৰাজ অজ্ঞাৰ কথা কৈ চিলাৰায় দেৱানে শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত আলোচনা কৰিলে । চিলাৰায়ে কলে যে, "ৰাজ আজ্ঞা পালন কৰি গুৰুজনাক ৰাজসভৈলৈ পঠাই দিয়াৰ পাছত যদিহে ৰাজ সভাত হবলগীয়া দৰ্ম্ম শাস্ত্ৰৰ বিচাৰ বিৰ্তকত ব্ৰাহ্মন পণ্ডিত সকলৰ হাতত শঙ্কৰদেৱৰ পৰাজয় হয়, তেন্তে গুৰুজনে ৰাজদণ্ড ভোগ কৰিব লাগিব আৰু তাৰ কাৰণেই চিলাৰায় চিন্তিত হৈ পৰিছে ।"

তাকে শুনি গুৰুজনে কলে, "ব্ৰাহ্মন পণ্ডিতৰলগত হবলগীয়া ধৰ্ম্মশাস্ত্ৰৰ যুক্তি তৰ্কৰ বাবে শঙ্কৰদেৱে কিঞ্চিতমানো ভয় নকৰে । শাস্ত্ৰীয় যুক্তি তৰ্কৰ যুদ্ধত গুৰুজনে কেৱল ভয় খাইছে মহাৰাজ নৰনাৰায়নৰ শাস্তি বিধানৰ বাবেহে । ৰাজশক্তিৰ প্ৰচণ্ড আদেশ, একো বুজিব নোৱাৰি ।"

শ্ৰীমন্ত শঙ্কৰদেৱৰ কথা শুনি উল্লাসিত হৈ চিলাৰায়ে কলে, "যদিহে ব্ৰাহ্মণ পণ্ডিত সকলৰ লগত হবলগীয়া শাস্ত্ৰীয় যুক্তি তৰ্কৰ যুদ্ধলৈ আপোনাৰ ভয় নাই । ৰাজদণ্ডৰ বিষয়ত মই ব্যৱস্থা গ্ৰহণ কৰিম, আপুনি নিশ্চিত হৈ থাকক । কোনো ভয় নকৰিব ।"

সেইমতেইচিলাৰায়ে দেৱানে মহাৰাজ নৰনাৰায়নৰ লগত আলোচনা কৰি, গুৰুজনাৰ মৰ্যদাৰ আৰু জীৱন নিশ্চিত নিৰাপত্তাৰ সুনিশ্চিত ব্যৱস্থা গ্ৰহণ কৰি শ্ৰীমন্ত শঙ্কৰদেৱক নৰনাৰায়নৰ ৰাজসভালৈ পঠাই দিলে । মহাৰাজ নৰনাৰায়নে ৰাজসভাত শ্ৰীমন্ত শঙ্কৰদেৱক যথাযোগ্য সন্মান আৰু মৰ্যদা প্ৰদান কৰি ৰাজসভাত সন্মানৰ আসনত বহুৱালে । শঙ্কৰদেৱৰ গাম্ভীৰ্য্য, পাণ্ডিত্য, ব্যক্তিত্ব আৰু প্ৰত্যুৎপন্নমতি বাকপটুতা দেখি মহাৰাজ নৰনাৰায়ন মোহিত হ'ল । শঙ্কৰদেৱৰ বিৰুদ্ধে ৰজাৰ ওচৰত উত্থাপন কৰা অভিযোগ সমূহৰ ৰাজসভাত প্ৰকাশ্যে বিচাৰ আৰম্ভ হ'ল । নৰনাৰায়নৰ ৰাজসভাত ব্ৰাহ্মণ পণ্ডিত সকলৰ লগত মহাপুৰুষ শঙ্কৰদেৱৰ ৪(চাৰি) মাহকাল জোৰা বিচাৰ আৰু শাস্ত্ৰীয় যুক্তি-তৰ্ক চলিল । শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰবল শাস্ত্ৰীয় যুক্তিৰে ব্ৰাহ্মণ পণ্ডিত সকলৰ সকলো অভিযোগ খণ্ডন কৰিলে । অৱশেষত ৰাজসভাৰ



এই দীঘলীয়া শাস্ত্ৰীয় যুক্তি-তৰ্কত আৰু ধৰ্ম্ম বিচাৰত শ্ৰীমন্ত শঙ্কৰদেৱে জয়লাভ কৰিলে । অভিযোগকাৰী ব্ৰাহ্মন পণ্ডিত সকলৰ পৰাজয় ঘটিল । 'শেষত "ৰজা প্ৰজা জানিলেক শঙ্কৰৰ মত শুদ্ধ" । শঙ্কৰদেৱৰ ভক্তি ধৰ্ম্মই শুদ্ধ বুলি ৰজাৰ স্বীকৃতি লাভ কৰিলে । মহাৰাজ নৰনাৰায়নে অভিযোগৰ পৰা শ্ৰীমন্ত শঙ্কৰদেৱক মুক্তি দি গুৰুজনৰ প্ৰতি যথাযোগ্য ৰাজকীয় সন্মান প্ৰদৰ্শন কৰিলে ।

জীৱনৰ শেষ বয়সত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বৰপেটাৰ বাটবাউসী থান ত্যাগ কৰি বেহাৰলৈ যায় । যোৱাৰ পূৰ্ব্বে মহাপুৰুষ গুৰুজনে তেৰাৰ প্ৰিয়তম শিষ্য শ্ৰীমাধৱদেৱৰ ওপৰত শক্তি-ভক্তি প্ৰদান কৰি, তেৰাৰ ধৰ্ম্মৰ উত্তৰাধিকাৰী পাতি গুৰু ভাৰ দি যায় ।

চিলাৰায় আৰু নৰনাৰায়নৰ আশ্ৰয়ত থাকি জীৱনৰ শেষছোৱা কাল শ্ৰীমন্ত শঙ্কৰদেৱে শান্তৰে বেহাৰ ৰাজ্যত ভক্তি-ধৰ্ম্ম প্ৰচাৰ কৰি যায় । তদুপৰি, চিলাৰায় আৰু মহাৰাজ নৰনাৰায়নৰ সক্ৰিয় পৃষ্ঠপোষকতাত গুৰুজনে বেহাৰত অমৰ ভক্তি শাস্ত্ৰ সমূহ ৰচনা কৰে । শেষাৱস্থাত মহাৰাজ নৰনাৰায়নে গভীৰভাৱে আকৃষ্ট হৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ ওচৰত কাতৰভাৱে শৰণ দিবলৈ প্ৰাৰ্থনা জনালে । ৰজাক শৰণ দিবলৈ শ্ৰীমন্ত শঙ্কৰদেৱে অলপো ইচ্ছা কৰা নাছিল । ৰজাই গুৰুজনাৰ একশৰণ ভক্তি ধৰ্ম্মৰ আদৰ্শ ৰক্ষা কৰিব পাৰিব বুলি বুলি প্ৰত্যেয় যাব পৰা নাছিল ।আনহাতে মহাৰাজ নৰনাৰায়নকো শ্ৰীমন্ত শঙ্কৰদেৱে অৱজ্ঞা কৰিব পৰা নাছিল । শ্ৰীমন্ত শঙ্কৰদেৱৰ উভয় সংকটত পৰি চিন্তিত হৈ পৰিছিল ।

*****

সংকটৰ এইসন্ধিক্ষণতে গুৰুজনৰ সোঁহাত বঢ়া আঙুলিত এটা বিষ ফোঁহা হৈ বিষত তীব্ৰ কঁপে জ্বৰ উঠিল তাৰেই চেলু লৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ইং ১৫৬৮ চনৰ ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত নৰলীলা সামৰি কোচবিহাৰত চিৰকালৰ বাবে পৃথিৱী আৰু নৰতনু এৰি বৈকুণ্ঠলৈ আৰোহণ কৰিলে । অসম আকাশৰ অতিশয় প্ৰচণ্ড জ্যোতিষ্মান শঙ্কৰ সূৰ্য্যই পশ্চিমৰ অস্তাচলত চিৰকালৰ বাবে ডুব মাৰিলে । তাৰ মাজতে অনন্ত কালজোৰা ভৱিষ্যতৰ মানৱ প্ৰজন্মৰ বাবে থাকি গ'ল - চিলাৰায় শঙ্কৰদেৱ - নৰনাৰায়নৰ অমৃতময় সনাতন আৰু স্বাস্বত লীলা মাধূৰ্য্য !!!

॥ জয় গুৰু শঙ্কৰ ॥

উক্ত প্ৰৱন্ধটি যুগুত কৰোঁতে নিম্নলিখিত চৰিত পুথি আৰু গ্ৰন্থ সমূহৰ সহায় লোৱা হৈছে ঃ


চৰিত পুথিৰ নাম ঃ লেখকৰ নাম

১। গুৰু চৰিত — ৰামচৰণ ঠাকুৰ

২। শ্ৰীশ্ৰী শঙ্কৰদেৱ- মাধৱদেৱ চৰিত — দৈত্যাৰি ঠাকুৰ

৩। শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ ভূষণ দ্বিজ কবি

৪। কথা গুৰু চৰিত ঃ সংগ্ৰাহক, চক্ৰপানি বৈৰাগী
সম্পাদক, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু ।

৫। বৰচৰিত ঃ ডাঙৰীয়া দীননাথ বেজবৰুৱা

৬। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ ঃ লক্ষ্মীনাথ বেজবৰুৱা

৭। শ্ৰীশ্ৰীশঙ্কৰদেৱ ঃ ড° মহেশ্বৰ নেওগ ।




OKDISCD

## সৰ্বতো উচ্চ ভক্তি
## চিলাৰায় ঃ নৰ নাৰায়ণৰ

বিনয় লাহন

মাতৃ স্নেহ আৰু পিতৃ ভক্তিৰে
মহীয়ান বীৰ চিলাৰায়
বীৰ নৰ নাৰায়ণ
জাতীয় বীৰ হেৰা
আৰু ক'তো নাই ;
জয় জয় জয় অনেক ৰাজ্য
কৰিলা বিজয়;
তোমাৰ আদৰ্শৰেই ,
জন্ম দাতৃনী স্বদেশ মোৰ আই
জনমে জনমে যেন জন্ম পাওঁ
পাওঁ আইৰ কোলাতেই ঠাই
হওঁ যেন বিজয়ী তুমি যেনেকৈ
সামৰি জ্ঞানাৰ্জন
তুলিলা পোতক পিতৃ অপমানৰ
মই শিকিলো
মা-দেউতাৰ সৰ্বতো উচ্ছ
অমূল্য স্নেহ দুয়োৰে
ইয়াৰ সমান আৰু
একো বস্তু নাই ।



## চিলাৰায় অনুকম্পা

দিলীপ গগৈ

আৱৰি ধৰিছে গোটেই জগত
পশ্চিমীয়া আৰু আধুনিক সভ্যতাই
ধাৱমান আমাৰ যুৱ সমাজ
চিলাৰায় উপলব্ধি নাই সিহঁতৰ
দেখুৱাইছে স্বৰূপ উদঙাই

গিলিছে সিহঁতক পাতনিৰে পৰা
শোষন, প্ৰৱঞ্চনা আৰু স্বাৰ্থ পৰতাই
পাহৰি পেলাইছে আত্মীয় সহোদৰ
চিলাৰায় উপলব্ধি নাই সিহঁতৰ
দেখুৱাইছে স্বৰূপ উদঙাই

আধুনিকতাৰ প্ৰতি ধাৱমান সিহঁত
প্ৰেম, শ্ৰদ্ধা ভক্তি, নৈতিকতা নাই
মানৱীয় প্ৰমূল্যবোধৰ প্ৰতিও
উপলব্ধি নাই সিহঁতৰ
দেখুৱাইছে স্বৰূপ উদঙাই

মানৱীয় কায়া মাথো সিহঁতৰ
পৰম্পৰা ৰীতি নীতিয়ে নাপাই ঠাই
আগগুৰি হীন আকাশীলতা
খৰ্ব হৈছে সিহঁতৰ মানসিকতা
বীৰ চিলাৰায় নহয় সিহঁত
দেখুৱাইছে স্বৰূপ উদঙাই



OKDISCD

# আহ্বান

পৰমেশ্বৰী ডেকা

আজি এক বিংশ শতিকাৰ দুৱাৰ দলিত
উলহ মালহেৰে উদ্‌যাপিত হৈছে
পূব ভাৰতৰ নেপোলিয়ন বীৰ চিলাৰায় দিৱস
আৰু
এই পবিত্ৰ দিনতেই
শত সহস্ৰ জনতাই তোমালে প্ৰণিপাত জনাইছে
আহ্বান কৰিছে
আকৌ ন উদ্দেমেৰে
তোমাৰ শৌৰ্য্য বীৰ্য্য আৰু বুদ্ধিমতাৰ অকনি পোহৰ লৈ
ইয়াৰ বিপৰীতে মূৰ্ত্ত হোৱা
দেশদ্ৰোহী কু চক্ৰান্তকাৰী শকুনি শোষন কাৰীবোৰৰ
ধ্বংস কৰক আষ্ফালন ।
ইতিহাসে কয় ৰিঙিয়াই ৰিঙিয়াই
চিলাৰ দৰে 'চো' মাৰি
তিৰবিৰ তীক্ষ তৰোৱালেৰে
মৰিম কিম্বা মাৰিম পনেৰে
বীৰত্বৰ বিজয় ধ্বজা উৰুৱাই
স্বদেশৰ হকে যুজি যুজি
শত্ৰুক নিধন কৰি
দেশক কৰিলা জয়যুক্ত ।
ৰাখি থ'লা খ্যাতি উজ্বল উদ্দীপ্ত অমৰ আদৰ্শ ।
বীৰ চিলাৰায় !
তোমাৰ চানেকীৰে জাতিক গঢ়িম
হিয়াত বিদ্যমাদ স্বদেশ প্ৰীতিৰ ভাৱ
প্ৰতাৰিত প্ৰলোভনকাৰী শোষণকাৰী
হওঁক সাৱধান ।
আমি নহওঁ কাৰো ৰঙা চকুৰ অধীন
চিলাৰায়ৰ দেশৰ সন্তান আমি
সাহসেৰে কৰি যাম অন্যায়ৰ প্ৰতিবাদ
সমসত্ত্ব সাম্য মৈত্ৰী আমাৰ লক্ষ্য
লাগে আমাক সৌহাৰ্দ্য পূৰ্ণ
ভাতৃত্ব বোধৰ শান্তি পূৰ্ণ এখন
ৰাম ৰাজ্য ।



# মোৰ পৰা তোমালৈ

সাগৰ নাথ

মই মোৰেই হৈ থাকিলো
বতাহৰ বাগি দি তুমি আতৰি গ'লা
অজলা গোঁসাইৰ চন্দন তুলসীৰে
কপালত আঁকিলা ৰামধেনুৰ সাতো ৰং
সপোনৰ সাজ সলাই দিঠকৰ নৈত নামি
তুমি গোঁসানী হ'লা
মোৰ হিয়া এতিয়া চিৰলা-চিৰলী
আৰু তোমাৰ ছাঁ-পোহৰৰ ভেল্‌কি বাজি
গোঁসানী
আজি ক'ত বান্ধো মোৰ পখীৰাজ
যাওঁ বা কলৈ - মোৰ পৰা তোমালৈ
হেজাৰ যোজন অদেখা বাট
বাহিৰে ভিতৰে মোৰ আনে নাজানে
মইহে জানো পুতলা নাচ
বালি চাপৰিত বহি সোধোতে
গাগিনী কিমান পানী
কিমান পানী .........
তুমি কৈছিলা এবুকু বুলি ;
তাতে মই তিতিছিলো
বিশ্বাস আৰু বুজাবুজিৰ উৰ্ব্বৰতাত
চহ হৈছিল মোৰ বুকুৰ পথাৰ
বতৰৰ ব'হাগত যিদিম বুলি ভাৱিছিলো
সোৱাগ মনি - কেতেকীজহা .........
এতিয়া কহুৱাই কান্দে
ইনাই বিনাই বিৰিণাইও
হিয়া ভাগে
লুইতৰ গৰা কিয় খহে কোনেও নুবুজে
তুমিও ......... ।
নকও তোমাক - এয়াযে আজি
মোৰ পৰা তোমালৈ হেজাৰ যোজন অদেখা বাট ।



OKDISCD

## মই তাইৰ চকুঁত .......

অজিত কুমাৰ ৰায়

বাৰিষাৰ প্ৰথম বৰষুণ জাকৰ আগতেই
মই তাইৰ চকুঁযুৰিত চুমা খালোঁ
তাই গুণগুণাই উঠিল
মোৰ প্ৰিয় গীতৰ কলিটি ।

কিন্তু মই ইচ্ছা কৰিলেই উৰুৱাব পাৰো
এজাক বতাহহৈ
তাইৰ অবাধ্য আঁচল
নাইবা
এজাক বৰষুণ হৈ
তিয়াই পেলাব পাৰো
তাইৰ উঠন বুকু
সুৰুঙা পালেই ইতিহাস খান্দিব পাৰো
এজাক ৰ'দ হৈ
তাইৰ সেউজীয়া কলিজাটো
কিদৰে হালধীয়া হ'ল ।
নাইবা
মই ইচ্ছা কৰিলেই
এজাক এন্ধাৰ হৈ
দেউ দি দি নচোৱাব পাৰো
তাইৰ হিৰন্ময় অবিনাশী স্বপ্ন
য'ত ডাঠ কুঁৱলীৰ বুকুত
মুখ গুজি শুই পৰিব
কুমাৰী ৰাতিৰ স্পন্দন

কিন্তু মই নিশিকিলো
কজলা শিল ছটাত
সেন্দুৰ সানি ভগৱান আঁকিবলৈ
নাইবা
তাইৰ গোলপীয়া গাল দুখনেদি
তেজৰ নৈ বোৱাবলৈ ।
সেয়ে মই তাইৰ চকুঁ যুৰিত পুনৰ চুমা খালো
তাই গুনগুনাই উঠিল মোৰ প্ৰিয় গীতৰ কলিটি .........



## উদ্‌যাপন সমিতি

বিশ্ব মহাবীৰ চিলাৰায় দিৱস ২০০৪

**পৃষ্ঠপোষক মণ্ডলী ঃ**

মাননীয় শ্ৰীযুত ৰাজেন গোঁহাই, সাংসদ, নগাঁও লোকসভা সমষ্টি
মাননীয় শ্ৰীযুত নজৰুল ইছলাম, খাদ্য ও অসামৰিক যোগান মন্ত্ৰী, অসম
মাননীয় শ্ৰীযুত অনিল ৰাজা, অধ্যক্ষ, হাউচফেড, অসম চৰকাৰ
মাননীয় শ্ৰীযুক্তা জোনজোনালী বৰুৱা, বি ়য়িকা, মৰিগাঁও সমষ্টি
মাননীয় শ্ৰীযুত বুবুল দাস, বিধায়ক, জাগীৰোড সমষ্টি
মাননীয় শ্ৰীযুত চবিৰ হুচেইন, উপায়ুক্ত, মৰিগাঁও
মাননীয় শ্ৰীযুক্তা ভায়োলেট বৰুৱা, আৰক্ষী অধীক্ষক, মৰিগাঁও
মাননীয় শ্ৰীযুক্তা মনালিছা গোস্বামী, প্ৰকল্প সঞ্চালিকা, জিলা গ্ৰামোন্নয়ণ অভিকৰণ
মাননীয় শ্ৰীযুত নাৰায়ণ ৰাড়ু কাকতি, অধ্যক্ষ, তিৱা স্বায়ত্ব পৰিষদ, অসম (মৰিগাঁও)
মাননীয় শ্ৰীযুত কমলা পাতৰ, মুখ্য কাৰ্য্যবাহী সদস্য, তিৱা স্বায়ত্ব পৰিষদ, অসম (মৰিগাঁও)

**উপদেষ্টা মণ্ডলী ঃ**

মাননীয় শ্ৰীযুত প্ৰভাত ডেকা, প্ৰাক্তন সভাপতি, জিলা কোচ ৰাজবংশী সন্মিলন
মাননীয় শ্ৰীযুত ভবেন ডেকা, প্ৰাক্তন সম্পাদক, জিলা কোচ ৰাজবংশী সন্মিলন
মাননীয় শ্ৰীযুত প্ৰফুল্ল ডেকা, প্ৰাক্তন সম্পাদক, জিলা কোচ ৰাজবংশী সন্মিলন
মাননীয় শ্ৰীযুত জিতেন ডেকা, প্ৰাক্তন অধ্যক্ষ, শস্য ও বাগিছা নিগম (অসম)
মাননীয় শ্ৰীযুত বীৰেন্দ্ৰ নাথ ডেকা, প্ৰাক্তন সম্পাদক, জিলা কোচ ৰাজবংশী সন্মিলন
মাননীয় শ্ৰীযুত ভাস্কৰবল্লভ ডেকা, প্ৰাক্তন সম্পাদক, জিলা কোচ ৰাজবংশী সন্মিলন

| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীযুত প্ৰভাত চন্দ্ৰ ডেকা |
| উপ সভাপতি | ঃ | শ্ৰীযুত পূৰ্ণ বড়া |
| | | শ্ৰীযুত চিতাৰাম ডেকা |
| সাধাৰণ সম্পাদক | ঃ | শ্ৰীজয়ন্ত ডেকা |
| সহ-সম্পাদক | ঃ | শ্ৰীৰাতুল কুমাৰ ডেকা |



OKDISCD

কাৰ্য্যকৰী সভাপতি ও কোষাধ্যক্ষ ঃ শ্ৰীহেমকান্ত ডেকা

খাদ্য বিভাগ ঃ শ্ৰীদুলাল নাৰায়ণ ডেকা, সভাপতি
শ্ৰীভদ্ৰ ডেকা, সম্পাদক
শ্ৰীৰমেন ডেকা
শ্ৰীতপেশ্বৰ ডেকা

স্মৰণিকা বিভাগ ঃ শ্ৰীফনীন্দ্ৰ ডেকা ফুকন, সভাপতি
শ্ৰীকমল ডেকা, সম্পাদক
শ্ৰীলক্ষ্যজ্যোতি ডেকা

প্ৰচাৰ বিভাগ ঃ শ্ৰীঅভিজিৎ বাজা, সভাপতি
শ্ৰীবিষ্ণু ডেকা, সম্পাদক
শ্ৰীভোলা ডেকা

সাংস্কৃতিক বিভাগ ঃ শ্ৰী মতি ডেকা
শ্ৰীভদ্ৰেশ্বৰ ডেকা
শ্ৰীববীন ডেকা

কাৰ্য্যালয় সম্পাদকঃ শ্ৰীৰাহুল ডেকা

স্বেচ্ছাসেৱক অধিনায়ক ঃ শ্ৰীসুৰেণ ভড়ালী

কৰ্ণধাৰ সমিতিৰ সদস্য মণ্ডলী ঃ

শ্ৰীপ্ৰভাত চন্দ্ৰ ডেকা
শ্ৰীহেমকান্ত ডেকা
শ্ৰীজয়ন্ত ডেকা
শ্ৰীৰাতুল ডেকা
শ্ৰীধনতি ডেকা
শ্ৰীজ্যোতিষ ডেকা
শ্ৰীভদ্ৰ ডেকা
শ্ৰীপ্ৰফুল্ল ডেকা
শ্ৰীচেনীৰাম ডেকা



## কাৰ্য্যকৰী সদস্য মণ্ডলী

| | |
|---|---|
| শ্ৰীগম্ভীৰ ভড়ালী | শ্ৰীমদন চন্দ্ৰ ডেকা |
| শ্ৰীউত্তম ডেকা | শ্ৰীঅনিল ডেকা |
| শ্ৰীবিশ্বজিৎ ডেকা | শ্ৰীকৰুণা ডেকা |
| শ্ৰীজয়ন্ত ডেকা | শ্ৰীপোনা ডেকা |
| শ্ৰীপঙ্কজ কুমাৰ ডেকা | শ্ৰীদেবেন্দ্ৰ নাথ ডেকা |
| শ্ৰীক্ষিতিশ ডেকা | শ্ৰীঅনিতা ডেকা |
| শ্ৰীজয় প্ৰকাশ ডেকা | শ্ৰীঅনিৰুদ্ধ ডেকা |
| শ্ৰীনন্দৰাম ডেকা | শ্ৰীদীপক চন্দ্ৰ ডেকা |
| শ্ৰীতৰুণ ডেকা | শ্ৰীঅনিল বৰা |
| শ্ৰীবেনুধৰ ডেকা | শ্ৰীহিৰণ্য বৰা |
| শ্ৰীৰমনীমোহন ডেকা | শ্ৰীনৱজ্যোতি ডেকা |
| শ্ৰীজিতুমনি ডেকা | শ্ৰীৰবীন ডেকা |
| শ্ৰীতিলেশ্বৰ ডেকা | শ্ৰীপূণ্য ডেকা |
| শ্ৰীধীৰসিং ডেকা | শ্ৰীসিদ্ধাৰ্থ শঙ্কৰ ডেকা |
| শ্ৰীমুকেশ ডেকা | শ্ৰীগৌতম ডেকা |
| শ্ৰীমহেন্দ্ৰ ডেকা | শ্ৰীযুগান্ত কুমাৰ ডেকা |
| শ্ৰীশশধৰ ডেকা | শ্ৰীসীমান্ত কুমাৰ ডেকা |
| শ্ৰীমিলন ডেকা | শ্ৰীশশীমোহন ডেকা |
| শ্ৰীৰেৱতী ডেকা | শ্ৰীবিদুল কুমাৰ ডেকা |
| শ্ৰীপদ্ম ডেকা | শ্ৰীভক্ত ডেকা |
| শ্ৰীকনক ডেকা | শ্ৰীচিতুল কুমাৰ ডেকা |
| শ্ৰীদীপেন চন্দ্ৰ ডেকা | শ্ৰীৰিপু ডেকা |
| শ্ৰীমলাৰাম ডেকা | শ্ৰীভৈৰৱ বৰুৱা |
| শ্ৰীজিতু ডেকা | শ্ৰীপ্ৰফুল্ল ডেকা |
| শ্ৰীশঙ্কৰ ডেকা | শ্ৰীঅশোক বৰুৱা |



OKDISCD

ৰাইজৰ সেৱাত

# ভূৰবন্ধা উন্নয়ণ খণ্ড

সম্পূৰ্ণ গ্ৰামীণ ৰোজগাৰ যোজনা/ স্বজল ধাৰা/ ইন্দিৰা আবাস যোজনা/ প্ৰধান মন্ত্ৰী গ্ৰামোদয় যোজনা/ ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনি/ বৃদ্ধি ভাট্টা সুবিধা প্ৰাপ্যৰ বাবে স্থানীয় গাঁও পঞ্চায়ত আৰু উন্নয়ণ খণ্ডৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ । লগতে ৰাইজৰ জ্ঞাতাৰ্থে এই উন্নয়ণ খণ্ডৰ ২০০২-২০০৩ গ্ৰামোন্নয়ণ কাৰ্যসূচী বিতং তথ্য তলত প্ৰকাশ কৰা হ'ল ।

| আঁচনিৰ নাম | আঁচনিৰ সংখ্যা | মঞ্জুৰীকৃত ঋণৰ পৰিমান |
|---|---|---|
| ১। সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা (প্ৰথম ধাৰা) | ১৪৬ | ৬০.০০ লাখ |
| ২। সম্পূৰ্ণ গ্ৰামীন ৰোজগাৰ যোজনা (প্ৰথম ধাৰা) | ১৫২ | ৭৭.৪০ লাখ |
| ৩। ইন্দিৰা আবাস যোজনা (নতুন গৃহ নিৰ্মান) | ২১৪ | ৪২.৮০ লাখ |
| ৪। ইন্দিৰা আবাস যোজনা (উন্নীতকৰণ) | ১১৮ | ১১.৮০ লাখ |
| ৫। প্ৰধানমন্ত্ৰী গ্ৰামোদয় যোজনা (নতুন গৃহ নিৰ্মান) | ৮০ | ১৬.০০ লাখ |
| ৬। প্ৰধানমন্ত্ৰী গ্ৰামোদয় যোজনা (নতুন গৃহ নিৰ্মান) | ৩৮ | ৩.৮০ লাখ |

তদুপৰি উক্ত উন্নয়ণ খণ্ডত ৪৫৭টা আত্মসহায়ক গোট গঠন কৰা হৈছে । ইয়াৰ ভিতৰত ৫৮ টা গোটক উন্নতজাতৰ চেৰা চাৰে স্বলি হাঁহ পালন কৰিবলৈ সুবিধা দিয়া হৈছে । ৯৫ টা গোটে প্ৰত্যেক চৰকাৰৰ পৰা দহ হাজাৰ টকাকৈ আৰ্বত লাভ কৰিছে ।

জ্যেষ্ঠ খণ্ড উন্নয়ণ বিষয়া
ভূৰবন্ধা উন্নয়ণ খণ্ড, মৰিগাঁও

OKD ISCD